তুকুবীর গীত

শ্রীহরিমোহন সরকার।

তুকুৰীয়া গীত

সংগ্ৰাহক— শ্ৰীহৰিমোহন সৰকাৰ বি, এ,

প্ৰাক্তন [illegible] পঢ়ুৱা পাঠ।
সম্প্ৰতি অসম ৰাজ্য সাহিত্য সভা
[illegible] সম্পাদক;
[illegible]
গোৱালপাৰা
(অসম)

"উপকূল"
ধূপধৰা : গোৱালপাৰা : অসম।

এ, চক্ৰ, ৰ্দ্ধেজাৰ্থ
[illegible]
গোৱালপাৰা (অসম)
[illegible] ৭২৪

TUKURIYA GEET

A Collection of Folk-Songs based on religion of Rabha Community of Assam, Collected and Compiled by Sri Hari Mohan Sarkar B, A, Vill. Chitalmari Bangaon, P. O. Tiplai, Via-Rangjuli, Dist. Goalpara, Assam.

Publisher :—

Hari Mohan Sarkar B, A.
"UPAKOOL"
P. O. Dhupdhara.
Dist— GOALPARA, Assam.

গ্ৰন্থকাৰ আৰু প্ৰকাশক — শ্ৰীহৰিমোহন সৰকাৰ, বি, এ.

প্ৰথম প্ৰকাশ— জানুৱাৰী, ১৯৭০ ইং

দ্বিতীয় " —

মূল্য— ১.৫০ এটকা পঞ্চাশ পইচা

মুদ্ৰাকৰ— মোঃ নুৰুল ইচলাম খান।
সুকুমাৰ প্ৰিন্টিং ওৱাৰ্কচ্
ধূপধৰা : গোৱালপাৰা : অসম

গ্ৰন্থকাৰৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

All Rights Reserved by the Collector.

হিজনে বয়সৰ চাৰিকুৰি বছৰৰ দেওনা পাৰ হৈও দেশ, জাতি আৰু সমাজৰ কল্যাণাৰ্থে আত্মনিয়োগ কৰি শান্তি পায়— সেইজনা সিংহ পুৰুষ পৰম পূজনীয় খুৰাদেউ শ্ৰীগোৱৰ্দ্ধন চন্দ্ৰ সৰকাৰৰ হাতত মোৰ এই "তুকুৰীয়া গীত" পুথিখন সশ্ৰদ্ধাৰে উচৰ্গা কৰিলোঁ।

লেখক,
হৰিমোহন

অভিমত

শ্ৰীহৰিমোহন সৰকাৰে সংকলন কৰা ৰাভা সকলৰ কিম্বদন্তীমূলক তুকুৰা নামৰ এজন বুঢ়াৰ কাহিনী এটাৰ আলমত গঢ়ি উঠা ধৰ্ম্ম-বিশ্বাসৰ কিতাপ "তুকুৰীয়া গীত" পঢ়ি চালোঁ। ইয়াৰ গীতপদ বিলাকৰ মাজতেই তেওঁবিলাকৰ সমাজ-জীৱনৰ এখন ছবি লুকাই আছে। সৰল-সহজ জীৱন-যাপন কৰা ৰাভাসকলৰ সৰল চিতীয়া গীতবিলাকে অসমৰ সাংস্কৃতিক সমন্বয়ত যে সহায় কৰিব সেই বিষয়ে সন্দেহ নাই। অসম সাহিত্য সভাই জন-জাতীয় লোক—সংস্কৃতিমূলক এখন গ্ৰন্থ প্ৰণয়ন কৰিবলৈ আঁচনি লৈ থৈছে আৰু গীতপদ সংগৃহীত হৈছে। "তুকুৰীয়া গীত" সমূহো সময়ত তাত সোমাব।

তুকুৰীয়া গীতৰ মাজত শিৱ আৰু শক্তিৰ উপাসনাই প্ৰধান। ঘৰগোসানীৰ "সুতৰণ" (আবাহন) কৰোঁতে এটি গীতত পোৱা হয় :

"আই নাৰায়নী সৰাকো গোসানীৰে'।
শ্ৰীদুৰ্গাক প্ৰাৰ্থনা জনাওঁতে শাক্ত সকলে গায় :
সৰ্ব্বমঙ্গল মাঙ্গল্যে শিৱে সৰ্ব্বাৰ্থ সাধিকে।
শৰন্যে ত্ৰ্যম্বকে গৌৰী নাৰায়নী নমস্তুতে।"

গতিকে দেখা গ'ল সংস্কৃতিয়া স্তোত্ৰৰ নাৰায়নী আৰু ৰাভা সকলৰ নাৰায়নী একেই। মূল কথা উভয়ৰে একে। আন এটি গীতত কৈছে :

প্ৰথমতে ডাঙাৰ আই নাৰায়নী,
তাৰ পাছত ডাঙাৰ ঘৰগোসানী,
আৰু পাছত ডাঙাৰ লক্ষ্মী-সৰস্বতী।

শ্ৰীদুৰ্গাৰ দুকাষে লক্ষ্মী আৰু সৰস্বতী মাজত নাৰায়নী স্বৰূপা নিজে হেঁও। আমি সকলোৱে গৃহ-লক্ষ্মীক বিশ্বাস কৰোঁ। ৰাভা সকলৰ ঘৰগোসানীও সেই গৃহ-লক্ষ্মীয়েই।

ইয়াৰ উপৰি গীতবিলাকৰ মাজত থকা সামাজিক আচাৰ-নীতিবোৰ অসমীয়া সমাজৰ সৈতে একেই। এতিয়াও আমাৰ গাওঁ বিলাকত শনিবাৰে মঙ্গলবাৰে মাটি নেখান্দে, চিৰা-পিঠাৰ খোলা নাপাতে। তুকুৰীয়া গীতৰ এটিত কোৱা হৈছে :

"শনিবাৰে মঙ্গলবাৰে
নাভাজিবি কাৰে।
ঘৰদেৱতী পলাই যাব
কাঠিৰ আঁৰে আঁৰে।।"

ইয়াত "দেৱতী" শব্দটো মন কৰিব লগীয়া। অসমীয়াত দেৱতাৰ স্ত্ৰীলিঙ্গ নাই। ৰাভা সকলে দেৱতা-দেৱতী ব্যৱহাৰ কৰে। সেইদৰে আৰু এটি সুন্দৰ শব্দ সুৰণ (আবাহন) গ্ৰহন কৰিব লগীয়া শব্দ।

ৰাভা সকলে আই দেৱীকেই জীৱন-ৰথৰ সাৰথি ৰূপে গ্ৰহণ কৰা গীতটি অতি সুন্দৰ।

"আমাৰ গাৰঁতে আছে খুচুতিয়া বুঢ়া
সেই বুঢ়াই ৰুই গেল বাঁহৰে মুঢ়া।
বাঁহৰে মুঢ়াত দিয়া যায় মাটি
সেই বাঁহৰে হ'ল ৰথৰে কামি-কাঠি।
আই দেৱী হ'ল ৰথৰে সাৰথি।'

অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহক সভাৰ এজন উদ্যোগী তেজা কৰ্ম্মী শ্ৰীহৰিমোহন সৰকাৰে হাতত লোৱা এই কাম অতি সময়োচিত হৈছে। ৰাভা, বড়ো আৰু আমাৰ অন্যান্য অসমীয়া লোক, সকলো মিলিহে আমি এটা অসমীয়া সংস্কৃতি গঢ়ি তুলিছোঁ। বড়ো, ৰাভা আদিৰ তেতিকেই আমিৰ অসম গঢ়ি উঠিছে। শ্ৰীসৰকাৰক মোৰ আন্তৰিক ধন্যবাদ জনাই তেওঁৰ পৰা আৰু পাবলৈ আশা কৰিলোঁ।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন।
যোৰহাট—১
১০-১-১৯৭০ ইং।

শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা,
সভাপতি,
অসম সাহিত্য সভা।

নিজা কথা আলপ

সঙ্গীতৰ বিষয়ে মোৰ একো অভিজ্ঞতা নাই; কিন্তু মনত লগা গীত শুনিলে শুনি থাকিবৰ মন যায়। যিহেতু মানুহৰ অন্তৰ সহজে জয় কৰিব পৰা সঙ্গীতৰ এক বিশেষ সম্মোহিনী শক্তি আছে। সঙ্গীত ভাল পোৱাৰ নিচাত লোক-গীতৰ মউ-চাক বিচাৰি এদিন ৰাভাজন-জাতিৰ মাজলৈ সোমাই গৈছিলোঁ; ফলত পাতি ৰাভা সম্প্ৰদায়ৰ মাজত সিচৰিত হৈ পৰিথকা "বহুৰতী" গীত সমূহ বুটলি আনি সঙ্গতি লগাবলৈ আংশিকৰূপে সক্ষম হওঁ।

অসমৰ অন্যান্য জন-জাতিৰ তুলনাত ৰাভা জাতিটো আজিও দুখসগা হিচাবে পিচ পৰি আছে। এওঁলোকৰ নিজস্ব ভাষা, কৃষ্টি-সংস্কৃতি থকা সত্বেও আমাৰ ভাষাবিদ্, শিল্পী, সাহিত্যিক সকলৰ অমনোযোগিতাৰ ফলত সেইবোৰৰ সৎব্যৱহাৰ আৰু আশানুৰূপ উদ্ধাৰ কিম্বা চৰ্চা হোৱা নাই। তুলনামূলক ভাবে অসমীয়া সংস্কৃতিৰ বৰঘৰত এখন সুকীয়া আসনৰ দাবী আৰু গৌৰৱ ৰাভা সকলেও কৰিব পাৰে।

ৰাভা সকলৰ লোক-গীত বিচাৰি ঘূৰি ফুৰোতে পাতি ৰাভা সম্প্ৰদায়ৰ মাজত প্ৰসিদ্ধ তুকুৰীয়া গীত" নামৰ এবিধ নতুন গীতৰ সৈতে আকৌ পৰিচয় ঘটে; কিন্তু অতি পৰিতাপৰ বিষয় যে, তুকুৰীয়া গীত আৰু কাহিনী সম্পূৰ্ণকৈ জনালোক বকো-লাম গাওঁৰ শ্ৰীদোকানুৰাম ৰাভাৰ বাহিৰে দ্বিতীয় ব্যাক্তি এজন বিচাৰি নেপালোঁ। সেয়েহে এনেকুৱা জাতীয় সম্পদ এটি হেৰাই যোৱাৰ আশঙ্কাত তেখেতক কাকুতি-মিনতি কৰি বুজাই-বৰাই গীতখিনি কাহিনীসহ টুকি আনি ৰাইজৰ হাতত তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। গীতখিনি ৰাইজে সমাদৰ কৰক বা নকৰক সেই সম্পৰ্কে মোৰ কোনো দাবী নাই; কিন্তু অসমীয়া জাতীয় সম্পদ এটিৰ স্বাৰ্থৰ হকে শ্ৰীদোকানুৰাম ৰাভা ডাঙৰীয়াৰ ওচৰত মই চিৰ-ঋণী হৈ ৰ'ম।

বৰ্ত্তমান আমি এনে এটা যুগ-সন্ধিক্ষণত উপস্থিত হৈছোঁ— যাৰ ভৱিষ্যত পৰিণাম নিতান্তই ভয়াবহ। সভ্যতাৰ পম খেদি আজি আমি বহুতে প্ৰাচীন কৃষ্টি সংস্কৃতিৰ প্ৰতি হেয়জ্ঞান কৰোহঁক। পৰিণামত এতিয়ালৈ আমি বহুত হেৰুৱালোঁ আৰু অদূৰ ভৱিষ্যতে বাকী থকাখিনিকো হয়তো হেৰুৱাম। সেয়েহে বাৰ্ট্ৰাণ্ড ৰাছেলে সভ্যতা আৰু বিজ্ঞানৰ দ্ৰুতগতিৰ প্ৰতি গভীৰ চিন্তা কৰি "We are perhaps living in the last age of man" বুলি চিঞৰি উঠি সমগ্ৰ মানৱ জাতিক সাৱধান কৰি দি কৈছে,—"A clear choice must be made within fifty years, the choice between Reason and Death." [illegible] আমি বিবেকৰ আশ্ৰয়লৈ মানৱীয় দৃষ্টিভঙ্গীৰ অতীত [illegible] বৰ্ত্তমান আৰু ভৱিষ্যতক [illegible] এই [illegible] সংস্কৃতিৰ [illegible] সকলৰ [illegible] আমাৰ প্ৰাচীন কৃষ্টি [illegible] সমন্বয় ঘটাই জাতীয় জীৱনৰ ভেটি সুদৃঢ়কৈ গঢ়ি তুলিবলৈ [illegible] প্ৰতিষ্ঠা [illegible] লোক-গীতৰ অনুসন্ধান, [illegible] বিশ্ববিদ্যালয় [illegible] লোক-গীতৰ চৰ্চা [illegible] এই [illegible] সংগ্ৰহ [illegible] সতৰ্ক [illegible] সংগ্ৰহ [illegible] "[illegible] পুৰু-[illegible] [illegible] আৰু [illegible] [illegible] [illegible]

ভূমিকা

ভাৰতীয় দৰ্শন আৰু ধৰ্ম্মই দেৱ-দেৱীক স্বীকাৰ কৰে। গ্ৰীকদৰ্শনৰ মাজত থকাৰ নিচিনাই আমাৰ ভাৰতীয় দৰ্শন আৰু ধৰ্ম্মৰ মাজতো দেৱ-দেৱীৰ প্ৰভাৱ স্পষ্ট আৰু প্ৰকট। আৰ্য্যসকল ভাৰতলৈ অহাৰ আগতে ভাৰতত থকা খিলঞ্জীয়া অধিবাসী আছিল, আজিৰ জন-জাতি বুলি কোৱা লোকসকল। সেই সময়ত এওঁলোককেই অনাৰ্য্য বোলা হৈছিল। প্ৰাক্‌বৈদিক যুগৰ অনাৰ্য্য তথা জন-জাতি সকলৰ জীৱন-দৰ্শন আছিল প্ৰাকৃতিক। প্ৰকৃতিৰ সৈতে জীৱন-মৰণ সম্বন্ধ ৰাখি জন-জাতি সকলে নানান দেৱ-দেৱীক পূজা-উপাসনা কৰি আহিছে আৰু তেওঁলোকৰ জীৱন যাপনৰ প্ৰণালীও অতি সহজ-সৰল। আনহাতে তেওঁলোকে আদিতে পাহাৰ-পৰ্ব্বত, হাবি-বননিত বসবাস কৰি সুখ পাইছিল আৰু তেওঁলোকৰ জীৱন-সংগ্ৰাম আছিল অত্যন্ত জটিল আৰু দুৰ্য্যোগ-পূৰ্ণ। নানান হিংস্ৰ জীৱ-জন্তু, অপায়-অমঙ্গল, মাৰি-মৰক, শস্যাদি অনিষ্টকাৰী পোক-পৰুৱা আদিৰ সৈতে জীৱন্ত-সংগ্ৰামত লিপ্ত হৈ তেওঁলোকে দেৱ-দেৱীসকলক পূজা-আৰাধনা কৰিবলৈ প্ৰকাৰান্তৰে বাধ্য হৈছিল।

দেৱ-দেৱীসকলক সন্তুষ্ট ৰাখি ধৰ্ম্ম পালন আৰু অভিলাষসাধনৰ উদ্দেশ্যে, উত্তৰাজত মানুহে দেৱ-দেৱীৰ নামত ম'হ, ছাগলী, গাৰুৱা, হাঁহ, কুকুৰা, পাৰচৰাই আদিৰ উপৰি নৰ-বলিও দিছিল। কিন্তু সভ্যতাৰ চৰম প্ৰভাৱত মানুহে মানুহ বলি দিবলৈ বাদ দিলে যদিও আজিও কেতবোৰ ধৰ্ম্মান্ধ মানুহ সমাজৰ মাজৰ পৰা দেৱ-দেৱীৰ নামত দিয়া বলি-বিধান প্ৰথা আঁতৰা নাই; এনেকি আৱহমান কাললৈকে হয়তো এই প্ৰথা চলিয়েই থাকিব।

দেৱাসুৰৰ ক্ষীৰ-সমুদ্ৰ মন্থনৰ পৰাই ধনৰ অধিষ্ঠাত্ৰী দেৱী হ'ল লক্ষ্মী; ফলত ধনাকাঙ্ক্ষীলোকসকলে লক্ষ্মীদেৱীক আৰাধনা কৰে। বহুতৰ মাজত ঘৰুৱা আৰু সমজুৱাকে আনুষ্ঠানিকভাৱে নিৰ্দিষ্ট দিন-বাৰ, তিথি অনুসৰি লক্ষ্মীপূজা কৰা দেখা যায়।

নাগা জন-জাতি সকলৰ মাজতো ঘৰুৱা আৰু সমূহীয়াকৈ আনুষ্ঠানিক ভাৱে লক্ষ্মী পূজা, কালী পূজা, লাঙামাৰা পূজা, ঠাকুৰাণী পূজা, কামাখ্যা পূজা আৰু মাৰৈ (বিষহৰি) পূজাৰ প্ৰচলন আছে। তেওঁলোকৰ কিছুমানে লক্ষ্মীদেৱীক ঘৰগোসাণীৰূপে পূজা কৰে। তেওঁলোকৰ মতে ঘৰগোসাণী হ'ল গৃহ-লক্ষ্মী-লখিমী। আকৌ কিছুমানৰ মতে ঘৰগোসাণী হ'ল গৃহস্থৰ অধিষ্ঠাত্ৰী দেৱী— ঘৰদেৱতী। মূলতে তেওঁলোকে ঘৰগোসাণীক লখিমী হিচাবে ডাঙঘৰৰ (বৰ ঘৰ) পূবৰ মুখৰ খুটাত থাপনা

কৰি পূজা কৰে। ঘৰুৱাভাৱে নানান পূজা-পৰ্ব্ব, বিহু-সংক্ৰান্তি আদিত ঘৰগোসাণীক পূজা কৰাৰ উপৰিও ন-ধান দাৱৰ সময়ত আঘোনৰ ধানৰ পথাৰৰ পৰা লখিমীক আদৰি আনি ডাঙঘৰৰ পূবৰ মুখৰ খুটাত থাপনা কৰে। ধানৰ পথাৰৰ পৰা লখিমী আদৰি অনা প্ৰথাক এওঁলোকে "আগলোৱা" বুলি কয়।

আমাৰ আলোচিত তুকুৰীয়া পূজা উৎসৱ এই ঘৰগোসাণী পূজাৰেই আদিম পদ্ধতি। সময় আৰু অৱস্থা বিশেষে একোগৰাকী দেৱ-দেৱীকে বিভিন্ন-ৰূপত অৱতীৰ্ণ হোৱা দেখা যায়। সেইদৰে তুকুৰীয়া পূজাত ঘৰগোসাণীকে নাৰায়ণী-ভগৱতী দেৱীৰ ৰূপত আৰাধনা কৰা হয়। আদিতে তুকুৰা নামৰ বুঢ়া এজনে বৰ্ত্তমানৰ পদ্ধতিৰে নাৰায়ণী-ভগৱতী দেৱীক পূজা কৰিছিল কাৰণেই এই পূজাক "তুকুৰীয়া পূজা" আৰু পূজাত গোৱা গীতক "তুকুৰীয়া গীত" বুলি কয়। সম্প্ৰতি সমূহীয়াকৈ আনুষ্ঠানিকভাৱে পূজা তুকুৰীয়া পূজাৰ প্ৰচলন কামৰূপ জিলাৰ বকো-বনগাঁৱ থানৰ বাহিৰে অসমৰ আন কতো দেখা নেযায়। অৱশ্যে পূৰ্ব্ব-দিনালৈকে গোৱালপাৰা জিলাৰ ঠাই বিশেষে এই পূজাৰ প্ৰচলন আছিল; বিশেষকৈ বংজুলি, দুধনৈ আৰু কৃষ্ণাইত তুকুৰীয়া পূজাৰ প্ৰভাৱ বৰ বেছি আছিল। বৰ্ত্তমানে বংজুলি-বেলপাৰা গাৱঁৰ সোমাজত থকা বিৰাট টিলাটি "তুকুৰীয়া দেওৰ থান" নামে জনাজাত আৰু বহুতে এই থান ৰাভাবীৰ পৰশুৰামৰ (১) দ্বাৰা স্থাপিত বুলি কয়।

বহু কৃষি-জীৱী সমাজত সাধাৰণতে বছৰৰ আৰম্ভণীৰ লগে লগে শক্তি-উপাসনা আৰু অপায়-অমঙ্গলৰ পৰা ৰক্ষা পাবিৰ নিমিত্তে নানান দেৱ-দেৱীক পূজা-অৰ্চ্চনা কৰা দেখা যায়। সেই উদ্দেশ্যে সচৰাচৰ জেঠ মাহত তুকুৰীয়া পূজাও অনুষ্ঠিত হয়। গাৱঁত যাতে মাৰি-মৰকে প্ৰৱেশ কৰিব নোৱাৰে, অনাবৃষ্টি দুৰ্ভিক্ষই যেন দেখা নিদিয়ে, সুস্থ-সবলভাৱে যাতে কৃষি কামত মনোনিবেশ কৰিব পাৰে আৰু ঘৰে ঘৰে সুখ-সমৃদ্ধি লাভৰ অৰ্থে তুকুৰীয়া পূজাত ঘৰগোসাণী, নাৰায়ণী আৰু আই

(১) ৰাভাবীৰ পৰশুৰামৰ বিষয়ে শ্ৰীবেণুধৰ শৰ্ম্মাৰ "তুণৰি" পুথি দ্ৰষ্টব্য।

ভগৱতীৰ নামত গাৰি, হাঁহ, কুকুৰা আৰু পাৰচবাই বলি দিয়া হয়।

কামৰূপ জিলাৰ বকো-বনগাওঁ মৌজাৰ বনগাওঁ থানত মাৰৈ (বিষহৰি) পূজাৰ লগতে মৌজাবাসী ৰাইজে সমূহীয়াকৈ তুকুৰীয়া পূজা কৰে। মাৰৈ পূজাৰ শেষৰ এৰাতি এদিন ধৰি এই পূজা কৰা হয়। প্ৰসঙ্গ-ক্ৰমে এষাৰ কথা উল্লেখ কৰা ভাল হ'ব। সাধাৰণতে প্ৰচলিত নিয়মানুসৰি প্ৰায় দেৱ-দেৱীক শনিবাৰে নতুবা মঙ্গলবাৰেহে পূজা কৰে। গতিকে মাৰৈ পূজা আৰু তুকুৰীয়া পূজাও শনিবাৰে নতুবা মঙ্গলবাৰে আৰম্ভ কৰা হয়। আকৌ বুঢ়া সকলৰ মুখত শুনি আৰু আমি নিজেও নিশ্চিতভাবে জানিব পাৰিছোঁ— সন্মিলিতভাবে কৰা তুকুৰীয়া পূজাত কেৱল ৰাভা সম্প্ৰদায়ৰ মানুহে দেউৰী হ'ব পাৰে, কছাৰী বা আন-সম্প্ৰদায়ৰ মানুহে দেউৰী কাম কৰিব নোৱাৰে। উক্ত নীতি-পুৰুষানুক্ৰমে আজিও চলি আছে।

তুকুৰীয়া গীতবোৰ তুকুৰীয়া পূজাত গোৱা-গীত। গীত সমূহ প্ৰধানকৈ বৃত্তান্তমূলক। পূজাৰ আৰম্ভণীৰে পৰা অন্তলৈকে ঘৰগোসানীৰ লীলা-খেলাৰ বৃত্তান্তই গীতৰ বিষয় বস্তু। গীত সমূহত গভীৰতম অৰ্থব্যঞ্জনা আৰু ভাৱৰ ইন্দ্ৰজাল নাই; কিন্তু শব্দ-যোজনা, বৰ্ণনাৰ সাৱলীলতা, আবেগিক ঐক্য, অলঙ্কাৰ, ছন্দ আৰু সহজ প্ৰকাশন মনকৰিবলগীয়া। কামৰূপী ওজাপালিয়ে গোৱা গীতৰ ঠাচতে গীতবোৰ গোৱা হয়; কিন্তু সুৰ-তাল, লয় আৰু মানৰ বহুত পাৰ্থক্য আছে। তুকুৰীয়া গীতৰ সুৰ কামৰূপী ওজাপালি গীতৰ সুৰতকৈ বেছি লালিত্যপূৰ্ণ। কামৰূপী ওজাপালি গীতত "হে হে হেইয়া" বুলি দিয়া সুৰৰ ধেকু তুকুৰীয়া গীতত নাই। কামৰূপী ওজাপালি আৰু মাৰৈ গীতৰ ওজা-পালিয়ে ব্যৱহাৰ কৰা খুঁত-তাল তুকুৰীয়া গীতৰ ওজাপালিও ব্যৱহাৰ কৰে। কামৰূপী আৰু মাৰৈ গীতৰ ওজাপালিৰ নিচিনা তুকুৰীয়া গীতৰো এজন আৰু চাৰি পাঁচজন পালি থাকে। তুকুৰীয়া গীতৰ ওজাপালিয়ে বহি গীত গায়। গীত এটি গোৱাৰ শেষত ওজাই গীতৰ কাহিনী আৰু অৰ্থ ভাঙি দিয়ে। আনহাতে মাৰৈ পূজাত থকাৰ দৰে তুকুৰীয়া পূজাতো এজনী দেওধনী থাকে। কিন্তু মাৰৈ পূজাৰ দেওধনীৰ নিচিনাকৈ এই পূজাত দেওধনীয়ে সিমান ভক্তি-পকি নেনাচে। নৃত্যত ফুটি উঠা দেহৰ লয়লাস ভঙ্গিমা অতি মাজিত আৰু ৰুচিসম্পন্ন। হাত-ভৰিৰ মুদ্ৰাত ভক্তি ৰস সঞ্চাৰ হয়।

কাহিনীৰ সৈতে সঙ্গতি ৰক্ষা কৰি নৃত্যৰ বিভিন্ন সময়ত চালনি-বাতি, বিচনি, বেত, কাচিনি-কাপোৰ, কোমৰ-বন্ধা, তেল-সেন্দুৰ ব্যৱহাৰ কৰে। মুঠতে পূজাত দেওধনীৰ আৱশ্যকতা অপৰিহাৰ্য্য। পূজাত দেওধনীৰ ভূমিকা তুকুৰীয়া পূজা উৎপত্তিৰ মূল কাহিনীত লুহাই কুহাইক ঘৰগোসানী পূজাৰ আৱশ্যকীয় দিহা-পৰামৰ্শ দিয়া বুঢ়ীৰ চন্দ্ৰবেশী নাৰায়নীৰ ভূমিকাৰ সৈতে ৰিজাব পাৰি।

গীতত উল্লেখিত গুৰীয়া ৰাজ্য, শিঙলটেপা নাৰীৰাজ্য, ধনমালি ৰজাৰ ৰাজ্য, ধনৰায় ৰজাৰ ৰাজ্য, নাগৰজাৰ ৰাজ্য, চান্দজান, ঘাগিৰিজান, নাচনি-শিলা, যোজাশাল, বগাইবুঢ়া, যমুনাৰ ঘাট, নলনীল বান্দৰ, লাঙা-বুঢ়া আদি নামৰ পৰা তুকুৰীয়া পূজাৰ উৎপত্তি আৰু বৰ্ণিত ঘটনাৰ পট-ভূমি অসমকে বুলি ভাবিবৰ থল আছে। আমাৰ ধাৰণা গুৰীয়া ৰাজ্যই গোৰদেশক, শিঙলটেপা নাৰীৰাজ্যই প্ৰমিলাৰ ৰাজ্যক আৰু নাগৰাজ্যই মহাভাৰতৰ বৰ্ণিত নাগৰাজ্যক বুজাইছে। তাৰোপৰি ধনমালি ৰজাৰ ৰাজ্য আৰু ধনৰায় ৰজাৰ ৰাজ্য দুখন বৰ্ত্তমানৰ দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাকে বুলি বিশ্বাস জন্মে। যিহেতু বৰ্ত্তমানে দক্ষিণ কামৰূপত চান্দজান, ঘাগিৰিজান, নাচনিশিলা আদি নামৰ ঠাই থকাৰ উপৰিও বামুনিগাওঁ ঔগুৰিত ৰাভা ৰজা বগাই ৰজাৰ বংশধৰ আছে। আকৌ লাঙাবুঢ়াই যে কৈলাশৰ পৰা নামি আহি অসমৰ জন-জাতি বসতিপূৰ্ণ অঞ্চলত নিগাজীকৈ খিতাপ লৈছিল এই কথাৰো সত্যতা প্ৰমান কৰিব পাৰি; যিহেতু আজিও ৰাভাসকলে লাঙাবুঢ়াক পূজা কৰে।

গতিকে আমি নিশ্চিন্ত যে, তুকুৰীয়া পূজা আৰু গীত উৎপত্তিৰ মূল কাহিনীত উল্লেখিত তুকুৰা বুঢ়া ৰাভা জন-জাতিৰ লোক আছিল। সেয়েহে তুকুৰা বুঢ়াৰ আহিৰে পুতেকদ্বয় লুহাই-কুহাইয়ে পূজা কৰা নাৰায়ণী-ঘৰগোসানী পূজাই আজিও ৰাভা জন-জাতিৰ মাজত "তুকুৰীয়া পূজা" আৰু পূজাত গোৱা গীতবোৰ "তুকুৰীয়া গীত" নামে জনাজাত আৰু প্ৰসিদ্ধ।

"Of music that is born of human breath
Comes straighter to the soul than any strain
The hand alone can make."

L. Morris.

"সদায় চকুৰে দেখা গছ পাতটিও
ছবিটিত ভাল হৈ পৰে ;
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে ।"

— দুৰ্গেশ্বৰ শৰ্ম্মা ।

তুকুৰীয়া গীত

পুৰণি কালত তুকুৰা নামৰ বুঢ়া এজন আছিল । বুঢ়াৰ দুজন পুত্ৰেক । লুহাই ডাঙৰ আৰু কুহাই সৰু । বুঢ়াই জীৱিত কালত ঘৰ-গোসানীক পূজা কৰিছিল । ঘৰ-গোসানীক পূজা কৰাৰ ফলত বুঢ়াই যথেষ্ট সা-সম্পত্তি লাভ কৰিছিল । লুহাই-কুহাই জনা-বুজা হ'লত বুঢ়াই সিহঁত দুয়োকো পূজাৰ নীতি-নিয়ম, মন্ত্ৰ, গীত আদি শিকাবৰ বাবে পূজাৰ সময়ত লুহাই-কুহাইক লগত ৰাখিছিল । কালক্ৰমত বাপেকৰ পৰা সিহঁত দুয়ো ঘৰ-গোসানী পূজাৰ নীতি-নিয়ম, মন্ত্ৰ, গীত আদি শিকি ললে ।

অৱশেষত এদিন তুকুৰা বুঢ়াৰ মৃত্যু হ'ল আৰু বাপেকৰ মৃত্যুৰ পিচত লুহাই-কুহাইয়ে ঘৰ-গোসানীক পূজা কৰিবলৈ বাদ দিলে । ইপিনে লুহাই-কুহাইৰ আৰ্থিক অৱস্থা দিনকদিনে হ্ৰাস পাই আহিব ধৰিলে । লুহাইতকৈ কুহাইৰ বুদ্ধি-বৃত্তি কিছু সৰহ আছিল । এদিন দুয়ো আলোচনা কৰাত কুহাইয়ে লুহাইক কলে যে বাপেকৰ মৃত্যুৰ পিচত সিহঁতে ঘৰ-গোসানীক পূজা নকৰাৰ ফলতেই নিশ্চয় সিহঁতৰ সা-সম্পত্তি হ্ৰাস পাই আহিছে । কুহাইৰ কথাত লুহাই সন্মত হ'ল আৰু ঘৰ-গোসানীক পূজা কৰাটোকে দুয়ো থিৰাং কৰিলে । কিন্তু সিহঁতে পূজা কৰিব কি ? সিহঁতৰ ৰাজ্যত কাৰোবাতে পূজা নেপাই ঘৰ-গোসানীয়ে কতিয়াবাই অইন ৰাজ্যত গৈ থিতাপি ল'লে । সিহঁত বৰ বিমোৰত পৰিল ।

বাপেকৰ মুখত শুনা গোধাইযম ৰজাৰ নগৰৰ কথা কুহাইৰ স্মৰণ হ'ল। বাপেকে কৈছিল— গোধাইযম ৰজাৰ ৰাজ্য দেৱ-দেৱীৰে পৰিপূৰ্ণ। গতিকে সিহঁতে তালৈকে গৈ ঘৰ-গোসানীক পূজা কৰিবলৈ সিদ্ধান্ত কৰিলে।

লুহাই-কুহাইৰ যেনে কথা তেনে কাম। পূজাৰ বাবে যাৱতীয় সম্ভাৰ ঠিক কৰাত সিহঁত উঠি-পৰি লাগিল। দুই-তিনিদিনৰ ভিতৰতে প্ৰয়োজনীয় গাহৰি ১টা, কুকুৰা ২৪টা, পাৰ চৰাই ৪টা, হাঁহ ৩টা, জোঙা মদ ১খন, মদ খোৱা ঘৰী ৫টা, মাটিৰ চক ১২টা, তামোল-পাণ, আঠিয়া কল, ধূপ-ধুনা, তেল-সেন্দুৰ, চাউল, পিঠাগুৰি, কৰাইগুৰা, তুলসী, পাত-পচলা আদি সকলো বস্তু যা যোগাৰ কৰি দুয়ো মেটমৰা দুভাৰ বস্তু লৈ গোধাইযম ৰজাৰ ৰাজ্যত গৈ উপস্থিত হ'ল।

সিহঁতে পূজাৰ বাবে উপযুক্ত ঠাই বিচাৰি ফুৰি শেষত এখন ডুঙুৰ বাখাৰা (বাকৰণি) পালে আৰু তাতে এজোপা প্ৰকাণ্ড ধোপ গছৰ তলত যথা নিয়মে পূজাৰ থাপনা পাতিলে আৰু প্ৰয়োজনীয় উপচাৰ আগবঢ়াই তেত্ৰিশ কোটি দেৱ-দেৱীক নাম ধৰি মাতিব ধৰিলে। এইদৰে সিহঁতে সাত ৰাতি সাতদিন পূজা-সেৱা কৰি দেৱ-দেৱীসকলক হাকুৰণ (আহ্বান) কৰি থাকিল; কিন্তু কোনো এজন দেৱতাই পূজা খাবলৈ নাহিল। লুহাই-কুহাই হতাশ হ'ল আৰু বাপেকৰ পৰা শিকা মন্ত্ৰ-গীতবোৰেই ভুল হ'ল নেকি বুলি চিন্তা কৰিব ধৰিলে। কুহাইয়ে লুহাইক ন-দি কলে যে, সিহঁতৰ মন্ত্ৰ-গীত ভুল হোৱা নাই; গোধাইযম ৰজাৰ ৰাজ্যত দেৱ-দেৱী থকা কথাটোহে মিছা। গতিকে সিহঁতে অনৰ্থক কষ্ট কৰি মৰাতকৈ ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি যোৱাটোকে মনস্থ কৰিলে আৰু বস্তু-বাহানিবোৰ সামুৰি-সুতৰি ঘৰাভিমুখে ৰাওনা হ'ল।

সিহঁত বহুদূৰ বাট বুলি ভাগৰ লগাত বাটৰ কাষৰ এজোপা গছৰ ছাঁত জিৰণি লবৰ বাবে বহিল। এনেতে দূৰৈত এজনী কুঁজি বুঢ়ী

টোকনৰ ওপৰত ভৰ দি দি সিহঁতৰ ফালে আহিব ধৰা দেখা পালে। সেই বুঢ়ী আছিল নাৰায়ণীৰ চন্মবেশ। বুঢ়ীয়ে সিহঁতৰ কাষ পাই তামোল এচালি খাবৰ বাবে সিহঁতৰ লগতে বহিল। বুঢ়ীয়ে তামোল এচালি খাই সিহঁতৰ সৈতে নানা তৰহৰ কথা পাতিব ধৰিলে। কথা প্ৰসঙ্গত সিহঁতে বুঢ়ীক কলে যে, সিহঁতে গোধাইযম ৰজাৰ ৰাজ্যত দেৱ-দেৱী থকা বুলি শুনি ঘৰগোসানীক পূজা দিবলৈ গৈছিল; কিন্তু সাত ৰাতি-সাতদিন স্তুতৰণ (আৰাধনা) কৰিও কোনো দেৱ-দেৱীৰ সহাঁৰি নেপালে। সিহঁতৰ অৱস্থা দেখি বুঢ়ীৰ পুতৌ জন্মিল আৰু পুণৰ ফিৰি গৈ সেই ঠাইতে ভালদৰে পূজা-সেৱা কৰিবলৈ উপদেশ দিলে। বুঢ়ীৰ সহানুভূতি আৰু গদ্‌গদ্‌ কথাত লুহাই কুহাইৰ মন গলিল আৰু বুঢ়ীৰ পৰামৰ্শমতে সিহঁতে পুণৰ সেই ঠাইলৈ ঘূৰি গৈ নতুন উৎসাহ উদ্যমেৰে পূজাৰ উপচাৰ আগবঢ়াই দেৱতা সকলক স্তুতৰণ কৰিব ধৰিলে আৰু বুঢ়ীও সিহঁতৰ লগতে থাকি পূজাৰ দিহা লগাই দি হিয়া উবুৰিয়াই নাচিব ধৰিলে। লুহাই-কুহাইয়ে বুজিলে যে বুঢ়ী অলপ পানীৰ মাছ নহয়। গতিকে সিহঁতে পূজাৰ মন্ত্ৰ-গীতৰ অৰ্থ বুঢ়ীক সুধি গ'ল আৰু বুঢ়ীও মন্ত্ৰ-গীতৰ আদ্যপান্ত সকলো অৰ্থ ভাঙি দিলে। * *

সুতৰণ ঃ আহ্বান

হ'বকো হ'বকো কৰে গোসানীৰে ॥
সবাকো মাতং পালা পালা
সবাকো যায় তাৰা ।
আহিবাও লাগে জাপ জাপ
যাবাকো লাগে জাপ জাপ
ঘৰদেৱতী সবাকো গোসানীৰে ।
সৰস্বতী সবাকো গোসানীৰে ।
আই নাৰায়নী সবাকো গোসানীৰে ।
গুৰু গোসাই " "
ৰথৱালী " "
শুপনি " "
ন-বইনি " "
হেৰ্‌কা পেটা " "
লাঙা বুঢ়া " "
লাঙি বুঢ়ী " "
ছন্দনা পুৰুষ " "
যজ্ঞা শাল " "
বৰ দাইনী " "
যশ-যশিনী " "
বিৰা-বিৰাণী " "
জলকুবেৰ " "
ধন কুবেৰ " "
ডেকা চাং " "
নাচনী শিলা " "
খাটিৰা জাৰা " "
বগাই বুঢ়া " "
কাচাই খাইতি " "
চৰিখা-কামাখ্যা " "
বুঢ়া গোসাই " "
ধৰ্ম্ম-ৰাজা " "
কৰ্ম্ম-ৰাজা " "
" "

—X—

বন্দনা

সৰস্বতী মাতিলুং আই অ' আই ।
মোৰ আই এ, কিবা বুলি মাতিলুং
ধনমালা পাতিলুং
মোৰ আই গোসানী এ হে ॥
তাৰাতে আৰো খাতে
মাওনা সৰস্বতী এ হে ॥
বেণুতে আৰো খাতে ।
লাওতে আৰো খাতে ।
মুখতে আৰো খাতে ।
গুঞ্জৰে ভোমোৰা আই এ ।

এইদৰে সুতৰণ কৰি বন্দনা গীত গোৱাৰ পিচত লুহাই-কুহাইৰ স্তুতি মিনতিত দেৱতাসকল সন্তুষ্ট হ'ল আৰু ঘৰ গোসানীয়ে আগে আহি পূজা খালে । ঘৰগোসানীক অহা দেখি অন্যান্য দেৱ-দেৱীসকলেও আহিবৰ বাবে হেতাওপৰা লগালে । তাকে দেখি লুহাই-কুহাইয়ে মনৰ আনন্দতে তলৰ গীতটি গালে আৰু বুঢ়ীও উলাহতে নাচিব ধৰিলে ।

—গীত—

ধিং যাং লাগে যাং
লগে লগে যাং
গুৰু গোসাই সবে বোলে
ময়েনা আগে যাং ।
ঘৰদেৱতী বোলে
ময়েনা আগে যাং ।

নাচৰ শেষত বুঢ়ীয়ে লুহাই-কুহাইক আই নাৰায়নীৰ গৰ্ভত ঘৰ গোসানী সহ ন-বইনি আৰু একমাত্ৰ ভায়েক হেৰ্‌কা পেটাৰ জন্ম-বৃত্তান্ত কব ধৰিলে ।

[ন-বইনি আৰু হেৰ্‌কা পেটাৰ জন্ম]

—গীত—

বিহ চল্‌ চল্‌ কৰে নাৰায়নীৰে
বিহ জন্‌মিল গা'ৰে
কোন দুৱাৰে বাইৰ হ'ম নাৰায়নীৰে ॥
নূৰ ফুটি বাইৰ হ'ম
নূৰ বিহলি বুলিব ।
কপাল ফুটি বাইৰ হ'ম
কপাল বিহলি বুলিব ।
মুখ ফুটি বাইৰ হ'ম
মুখ বিহলি বুলিব ।
গল ফুটি বাইৰ হ'ম
গল বিহলি বুলিব ।
বুক ফুটি বাইৰ হ'ম
বুক বিহলি বুলিব ।
বাহু ফুটি বাইৰ হ'ম
বাহু বিহলি বুলিব ।
পেট ফুটি বাইৰ হ'ম
হাৰিয়া বিহলি বুলিব ।
কোমৰ ফুটি বাইৰ হ'ম
কোমৰ বিহলি বুলিব ।
ফেৰা ফুটি বাইৰ হ'ম
ফেৰা বিহলি বুলিব ।
আঠু ফুটি বাইৰ হ'ম
আঠু বিহলি বুলিব ।

জগতত কুখ্যাতি পোৱাৰ ভয়ত নাৰায়নীৰ গৰ্ভৰ পৰা কোনো এখৰ দুৱাৰেদি ন-বইনি আৰু হেৰ্‌কা পেটাক বাহিৰ কৰা নহ'ল। অৱশেষত নাৰায়নীৰ দেহত কুঠাৰেৰে দহ ঘাপ মাৰি ন-বইনি আৰু হেৰ্‌কা পেটাক বাহিৰ কৰি অনা হ'ল।

বন্দনা

সৰস্বতী মাতিলুং আই অ' আই ।
মোৰ আই এ, কিবা বুলি মাতিলুং
ধনমালা পাতিলুং
মোৰ আই গোসানী এ হে ॥
তালতে আৰো খাতে
মাওলা সৰস্বতী এ হে ॥
বেণুতে আৰো খাতে ।
লাওতে আৰো খাতে ।
মুখতে আৰো খাতে ।
গুৰুৰে ভোমোৰা আই এ ।

এইদৰে স্তুতৰণ কৰি বন্দনা গীত গোৱাৰ পিচত লুহাই-কুহাইৰ স্তুতি মিনতিত দেৱতাসকল সন্তুষ্ট হ'ল আৰু ঘৰ গোসানীয়ে আগে আহি খালে। ঘৰগোসানীক অহা দেখি অন্যান্য দেৱ-দেৱীসকলেও আহিবৰ বাবে হেতাওপৰা লগালে। তাকে দেখি লুহাই-কুহাইয়ে নৱ আনন্দতে তলৰ গীতটি গালে আৰু বুঢ়ীও উলাহতে নাচিব ধৰিলে।

—গীত—

ধিং যাং লাগে যাং
লগে লগে যাং
গুৰু গোসাই সবে বোলে
ময়েনা আগে যাং ।
ঘৰদেৱতী বোলে
ময়েনা আগে যাং ।

নাচৰ শেষত বুঢ়ীয়ে লুহাই-কুহাইক আই নাৰায়ণীৰ গৰ্ভত ঘৰ গোসানী সহ ন-বইনি আৰু একমাত্ৰ ভায়েক হেৰ্‌কা পেটাৰ জন্ম-বৃত্তান্ত কৰিলে।

[ন-বইনি আৰু হেৰ্‌কা পেটাৰ জন্ম]

—গীত—

বিহ চল্‌ চল্‌ কৰে নাৰায়নীৰে
বিহ জন্‌মিল গা'ৰে
কোন দুৱাৰে বাইৰ হ'ম নাৰায়নীৰে ॥
মূৰ ফুটি বাইৰ হ'ম
মূৰ বিহলি বুলিব ।
কপাল ফুটি বাইৰ হ'ম
কপাল বিহলি বুলিব ।
মুখ ফুটি বাইৰ হ'ম
মুখ বিহলি বুলিব ।
গল ফুটি বাইৰ হ'ম
গল বিহলি বুলিব ।
বুক ফুটি বাইৰ হ'ম
বুক বিহলি বুলিব ।
বাহু ফুটি বাইৰ হ'ম
বাহু বিহলি বুলিব ।
পেট ফুটি বাইৰ হ'ম
হাৰিয়া বিহলি বুলিব ।
কোমৰ ফুটি বাইৰ হ'ম
কোমৰ বিহলি বুলিব ।
ফেৰা ফুটি বাইৰ হ'ম
ফেৰা বিহলি বুলিব ।
আঠু ফুটি বাইৰ হ'ম
আঠু বিহলি বুলিব ।

জগতত কুখ্যাতি পোৱাৰ ভয়ত নাৰায়নীৰ গৰ্ভৰ পৰা কোনো এখন দুৱাৰেদি ন-বইনি আৰু হেৰ্‌কা পেটাক বাহিৰ কৰা নহ'ল। অৱশেষত নাৰায়নীৰ দেহত কুঠাৰেৰে দহ ঘাপ মাৰি ন-বইনি আৰু হেৰ্‌কা পেটাক বাহিৰ কৰি অনা হ'ল।

—গীত—

আই বোলে ৰথৰে পৰিল ছাঁয়া
হে আই গোসানীৰে মায়া
কোনো মায়া নহয় আই
ঘৰদেৱতীৰ মায়া ॥
এক ঘাও মাৰে আইক
হইলা একো বইনি ।
আৰো এক ঘাও মাৰে আইক
হইলা দুই বইনি ।
ন-ঘাও মাৰংতে আইৰ
জনমিল ন-বইনি ।
আৰো এঘাও মাৰে আইক
হেৰ্‌কা পেটাৰ জনম ।
থলে মাঠি-মুঠি
বিন্দিনা বুনৰ চুৰে ।
নামাৰং আৰো তোক
নধৰং আৰো তোক ॥

স্বৰ্গত থাকিলে ন-বইনি আৰু হেৰ্‌কা পেটাই দেৱতা সকলৰ ওচৰত সদায় জন্মৰ গ্লানি সহ্য কৰিব লাগিব। গতিকে জন্ম-গ্লানিৰ ভয়ত সিহঁত লাঙা বুঢ়াক [ৰাভা জনজাতিৰ মতে শিৱ] লগত লৈ স্বৰ্গ ত্যাগ কৰি মৰ্ত্তলৈ নামি আহে।

—গীত—

নামেৰে লাঙা বুঢ়া
নামে আৰো নামেৰে ।
ঘৰদেৱতী নামে আৰো
নামে ৰে ।
ন-বইনি নামে আৰো
নামে ৰে ।
হেৰ্‌কা পেটা নামে আৰো
নামে ৰে ॥

ন-বইনি, হেৰ্‌কা পেটা আৰু লাঙা বুঢ়াই স্বৰ্গ ত্যাগ কৰি মৰ্ত্তলৈ গুচি আহিল। মৰ্ত্তত আহি সিহঁত কিছুদিন কৈলাশত থাকে কিন্তু কৈলাশত সিহঁতক কোনেও পূজা-সেৱা নকৰা দেখি দক্ষিণে ভৈয়ামলৈ নামি আহিবলৈ মনস্থ কৰি লাঙা বুঢ়াক প্ৰথমে পঠালে— যাতে লাঙা বুঢ়াই মানুহৰ মাজত গৈ পূজা লাভৰ ব্যৱস্থা কৰিব পাৰে। কৈলাশত থাকি লাঙা বুঢ়াৰ অৱশ্যে একপ্ৰকাৰ সুখেই আছিল তথাপি ঘৰগোসানীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি লাঙা বুঢ়াই যমুনা নদী পাৰ হৈ দক্ষিণলৈ আহিল।

—গীত—

টিমো টিমো কৰি লাঙা
ঢোলখিনি বায়
উত্তৰ কুলৰ বুঢ়া লাঙা
দক্ষিণ কুলে যায়।
উত্তৰ কুলৰ বুঢ়া লাঙা
দক্ষিণ কুলত যায়
দক্ষিণ কুলত যাই লাঙা
কাকোৰ-কুচিয়া খাবাকো নাপায়।
আগে আছিলং কোচৰ ছা'ৰা
ৰাভাত গিলুং জাতি
এতিয়াহে হৈছে মোৰ
লাঙাৰ বিয়াতি।
আগে আছিলুং কোচৰ ছা'ৰা
ৰাভাত গিলুং জাতি
গৰঙে গৰঙে ফুৰং
হানা কাকোৰ ঘুকি॥

বাটকুৰি বাই ভোকে-পিয়াহে ক্লান্ত হোৱাত লাঙা বুঢ়াই এখন গাওঁৰ এক বামুনৰ ঘৰত উপস্থিত হৈ কিবা অলপ খাব খুজিলে। টেঙৰ বামুনেও মুখৰ কথাত লাঙা বুঢ়াক ভাত নিদি বামুনৰ ঘৰত

—গীত—

আই বোলে ৰথৰে পৰিল ছাঁয়া
হে আই গোসানীৰে মায়া
কোনো মায়া নহয় আই
ঘৰদেৱতীৰ মায়া॥
এক ঘাও মাৰে আইক
হইলা একো বইনি।
আৰো এক ঘাও মাৰে আইক
হইলা দুই বইনি।
ন-ঘাও মাৰংতে আইৰ
জনমিল ন-বইনি।
আৰো এঘাও মাৰে আইক
হেৰ্‌কা পেটাৰ জনম।
থলে মাঠি-মুঠি
বিবিন্দা বুনৰ চুৰে।
নামাৰং আৰো তোক
নধৰং আৰো তোক॥

স্বৰ্গত থাকিলে ন-বইনি আৰু হেৰ্‌কা পেটাই দেৱতা সকলৰ ওচৰত সদায় জন্মৰ গ্লানি সহ্য কৰিব লাগিব। গতিকে জন্ম-গ্লানিৰ ভয়ত সিহঁত লাঙা বুঢ়াক [ৰাভা জনজাতিৰ মতে শিৱ] লগত লৈ স্বৰ্গ ত্যাগ কৰি মৰ্ত্তলৈ নামি আহে।

—গীত—

নামেৰে লাঙা বুঢ়া
নামে আৰো নামেৰে।
ঘৰদেৱতী নামে আৰো
নামে ৰে।
ন-বইনি নামে আৰো
নামে ৰে।
হেৰ্‌কা পেটা নামে আৰো
নামে ৰে॥

ন-বইনি, হেৰ্‌কা পেটা আৰু লাঙা বুঢ়াই স্বৰ্গ ত্যাগ কৰি মৰ্ত্তলৈ গুচি আহিল। মৰ্ত্তত আহি সিহঁত কিছুদিন কৈলাশত থাকে কিন্তু কৈলাশত সিহঁতক কোনেও পূজা-সেৱা নকৰা দেখি দক্ষিণ ভৈয়ামলৈ নামি আহিবলৈ মনস্থ কৰি লাঙা বুঢ়াক প্ৰথমে পঠালে— যাতে লাঙা বুঢ়াই মানুহৰ মাজত গৈ পূজা লাভৰ ব্যৱস্থা কৰিব পাৰে। কৈলাশত থাকি লাঙা বুঢ়াৰ অৱশ্যে একপ্ৰকাৰ সুখেই আছিল তথাপি ঘৰণীসানীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি লাঙা বুঢ়াই যমুনা নদী পাৰ হৈ দক্ষিণলৈ আহিল।

—গীত—

টিনা টিনা কৰি লাঙা
ঢোলখিনি বাজ
উত্তৰ কুলৰ বুঢ়া লাঙা
দক্ষিণ কুলে যাব।
উত্তৰ কুলৰ বুঢ়া লাঙা
দক্ষিণ কুলত যাব
দক্ষিণ কুলত যাই লাঙা
কাকোৰ-কুচিয়া খাবাকো নাপায়।
আগে আছিলং কোচৰ ছাঁৱা
ৰাভাত গিলুং জাতি
এতিয়াহে হৈছে মোৰ
লাঙাৰ বিয়াতি।
আগে আছিলুং কোচৰ ছাঁৱা
ৰাভাত গিলুং জাতি
গৰাঙে গৰাঙে কুৰং
হানা কাকোৰ বুকি॥

বাটকুৰি যাই ভোকে-পিয়াহে ক্লান্ত হোৱাত লাঙা বুঢ়াই এখন গাঁৱৰ এক বামুনৰ ঘৰত উপস্থিত হৈ কিবা অলপ খাব খুজিলে। টেঙৰ বামুনৰ মুখৰ কথাত লাঙা বুঢ়াক ভাত নিদি বামুনৰ ঘৰত

চাকৰ থাকিবলৈ সন্মত হলেহে খাব-পিব দিম বুলি কলে। লাঙা বুঢ়াও বামুনৰ কথাত সন্মত হ'ল আৰু ভাত-পানী খাই উঠি এটি সুস্থিৰ নিশ্বাস পেলাই বামুনৰ এবুড়ি ছাগলী চৰাবলৈ লৈ গ'ল। কিন্তু বামুনে লাঙা বুঢ়াক সাৱধান কৰি দিলে যাতে ছাগলী এটিও নেহেৰায়। লাঙা বুঢ়াই বামুনৰ সন্মুখত ছাগলী গণনা কৰি লৈ এটি ছাগলী হেৰালে দুটা ছাগলী দিম বুলি প্ৰতিজ্ঞা কৰিলে।

—গীত—

ছাগলী লিখে লাঙা বুঢ়া
বাপু লাঙাৰে।
ধন লাঙা ধন
মই বামুনৰ বান্ধা
ছাগলী চাৰিবা লাগে।
মই বামুনৰ বান্ধা
ছাগলী হাৰাব
এক ছাগলী হাৰালে
দুই ছাগলী দিম।
তিনি ছাগলী হাৰালে
চৰ ছাগলী দিম
মই লাঙা বামুনৰ বান্ধা॥

ছাগলী যাতে নেহেৰায় তাৰ বাবে সতৰ্কতা অৱলম্বন কৰি লাঙা বুঢ়াই বহুত দিন বামুনৰ ঘৰত ছাগলী চৰালে। এদিন বামুনীৰ জ্বৰ উঠি কেকাই কেকাই বামুনক ধান বানিবলৈ কোৱাত বামুনে ঢেকীত ধান বনা দেখি লাঙা বুঢ়াৰ হাঁহিত পেটৰ নাড়ি-ভুৰি চিগিল আৰু তেনেকুৱা কুকাণ্ড চাই নেথাকিবলৈ স্থিৰ কৰি বামুনৰ ঘৰ এৰি লাঙা বুঢ়া পলাই পত্ৰং দিলে।

—গীত—

ঢেকী শলথ শলথ বাজে
এক দোন ধানকে
সাত-ৰাতি সাত-দিন ভানে।
এহে লালাকৰ কঙ্কাল ভাঙে ॥

——×——

লাঙা বুঢ়াই বামুনৰ ঘৰৰ পৰা পলাই পূব দিশে ৰাওনা হ'ল। ভোকে-লগনে বহুদিন বাটকুৰি বাই অৱশেষত ধনৰায় ৰজাৰ ৰাজ্যত উপস্থিত হ'ল। ধনৰায় ৰজাৰ পৰা আশাতীত হিচাবে পূজা-সেৱাৰে অনুগ্ৰহ লাভ কৰি লাঙা বুঢ়াই ন-বইনি আৰু হেৰ্‌কাপেটাৰ কথা পাহৰি গ'ল আৰু মদে-ভাতে খাই আনন্দত মছ্‌গুল হৈ থাকিল।

ইপিনে লাঙা বুঢ়াৰ অপেক্ষাত ঘৰগোসানী বৰ চিন্তান্বিত হ'ল। ভাবিলে, লাঙা বুঢ়া নিশ্চয় কৰবাত মৰিক; নহলে ইমান দিনেও ঘূৰি নাহে নে! শেষত সিহঁতেও কৈলাশ এৰি দক্ষিণলৈ বুলি যাত্ৰা কৰিলে। আহি থাকোঁতে বাটত সিহঁতে গৰখীয়া ল'ৰা এজাক লগপালে। ঘৰগোসানীয়ে এজনী বুঢ়ীৰ ভেশ ধৰি আগুৱাই গৈ গৰখীয়াহঁতক সেইপিনে লাঙা বুঢ়াক যোৱা দেখা পাইছে নেকি বুলি সুধিলত গৰখীয়াহঁতে বুঢ়ীক ঠাট্টা কৰি পকা দলিমাটিৰে দলিয়াবলৈ ধৰিলে। গৰখীয়াহঁতৰ আচৰণত ঘৰগোসানী ক্ষুব্ধ হ'ল আৰু কেইজনমানক টেটুত চেপি মাৰি পেলালে।

—গীত—

ক'ৰ বুঢ়ি ক'ৰ ধুলি
নাকৰ বোলা বুলি

লাখোৱালে লগ পাই
খুৱায় পকা দলি।

খিতাতে কেইজনমানক মৰা দেখি বাকী গৰখীয়াবোৰে ভয় খালে আৰু অপৰাধৰ ক্ষমা খুজি মৰাকেইজনক জীয়াই দিবলৈ ঘৰগোসানীক কাৰৌ-কাকুতি কৰিলে। ঘৰগোসানীও সিহঁতক ক্ষমা কৰি মৰা কেইজনক জীয়াই দি পুনৰ যাত্ৰা আৰম্ভ কৰিলে।

—গীত—

লাখোৱালক জীয়াই দি
অ' আই হিয়া।
আই দেৱী লাখোৱালক
জীয়ালে ভাল ভাল ॥

গৰখীয়াহঁতক জীয়াই দি ন-বইনি আৰু হেৰ্‌কাপেটাই ক্ৰমে আগুৱাব ধৰিলে। বেলি দুপৰত সিহঁত যমুনা নদীৰ পাৰত উপস্থিত হ'ল। যমুনা নদীখন দেখি সিহঁতৰ সাগৰ বুলি ভ্ৰম উপজিল আৰু পাৰ হ'বৰ উপায় বিচাৰি নদীৰ পাৰে পাৰে নাৱৰীয়াৰ সন্ধানত ঘূৰি ফুৰিব ধৰিলে। এনেতে এহাল দোন-দুমুনীক ঘাটত নাও বান্ধি ঘৰলৈ আহিবৰ বাবে যো-যাকৰা দেখা পাই ঘৰগোসানীয়ে সিহঁতৰ কাষ চাপি নদীখন পাৰ কৰাই থবৰ বাবে মিনতি জনালে।

—গীত—

দুম নাদুমুনি বোলং তোক
অ' আই হিয়া।
পাৰ কৰি থ' আমাক
যমুনাৰ হাট খান
চাই আহং যাই।

——×——

কিন্তু দোম-দুমুনীয়ে পুৱাৰে পৰা মাছমাৰি ভোক-পিয়াহ আৰু ভাগৰতি জ্বলা-ক'লা হোৱাত সিহঁতক পাৰ কৰাই থবলৈ অমান্তি হলত সিহঁত আকৌ নাৰৰীয়াৰ সন্ধানত নদীৰ পাৰে পাৰে ভটিয়াব ধৰিলে। এনেতে আকৌ আলাংকাঢ়া আৰু ভবংকাঢ়া নামৰ দুজন নাৰৰীয়াক নাও বাই থকা দেখা পালে। আলাংকাঢ়া আৰু ভবংকাঢ়া দুই ভাই। আলাংকাঢ়া কুঁজা আৰু ভবংকাঢ়া কোঙা। ঘৰগোসানীয়ে সিহঁতক বিঙিয়াই পাৰলৈ মাতি আনি নদীখন পাৰ কৰাই থবৰ বাবে অনুৰোধ জনালে।

—গীত—

আলাংকাঢ়া ভবংকাঢ়া
লৈ যা মোক
ৰাজাহৰি ফুল কোঁৱৰ
জন্মিব হে।

কিন্তু আলাংকাঢ়া আৰু ভবংকাঢ়াই সিহঁতক পাৰ কৰাই থবলৈ অসন্মত হ'ল। ন-বইনি আৰু হেৰ্‌কাপেটা মহাবিপদত পৰিল। ভোক-পিয়াহত খোজ কাঢ়িবলৈও সিহঁতৰ দেহত শক্তি নোহোৱা হ'ল। উপায়ান্তৰত জিৰণি লবলৈ সিহঁত এজোপা গছৰ তলত বহিলগৈ। ঠিক সেই মুহূৰ্ত্তত কুৰুং নামৰ বিৰাট কাছ' এটা নদীৰ পৰা পাৰলৈ উঠি অহা ঘৰগোসানীয়ে দেখা পালে। কুৰুঙক দেখি ঘৰগোসানীয়ে সিহঁতক নদীখন পাৰ কৰাই থবৰ কিবা উপায় কৰিব পাৰিব নেকি বুলি সুধিলে। ইপিনে কুৰুঙেও হাতেতে সৰগ ঢুকি পোৱা যেন পালে। সি বহুত দিন একো খাবলৈ পোৱা নাছিল। সেয়েহে সি আহাৰ বিচাৰি বামত উঠাৰ লগে লগে ন-বইনি আৰু হেৰ্‌কাপেটাক দেখি তাৰ জিভাৰ পানী পৰিব ধৰিলে। গতিকে কুৰুঙে সিহঁতক খোৱাৰ লোভত নিজে পাৰ কৰাই থবৰ বাবে গাত ললে আৰু কলে যে, সি

ৰ কৰাই থোৱাৰ মজুৰি হিচাবে প্ৰত্যেকৰে একোখন হাত নতুবা ভৰি বলৈ দিব লাগিব। কিন্তু চতুৰা ঘৰগোসানীয়ে কুৰুঙক কলে যে, খন হাত নতুবা ভৰিৰে কুৰুঙৰ পেট নভৰে; তাৰ পৰিবৰ্ত্তে মোকেই তথাপি সিহঁতক পাৰ কৰাই থোৱা বুলি ঘৰগোসানীয়ে কুৰুঙক লে। ঘৰগোসানীৰ কথাত কুৰুং আনন্দিত হ'ল আৰু ঘৰগোসানীক ত এৰি বাকী ন জনক পিঠিত তুলি সিপাৰ কৰি থলে। কুৰুঙে নন্দত আতুহাৰা হৈ ইপাৰত আহি দেখে যে, ঘৰগোসানী বিৰাট াকাৰ ধাৰণ কৰি কুৰুঙৰ অপেক্ষাত বৈ আছে। তাইৰ সেই ৰূপ দেখি কুৰুঙৰ শঙ্কা উপজিল। কিন্তু ঘৰগোসানীয়ে তাক অভয় দি মুখ লিবলৈ কলে আৰু তাই কুৰুঙৰ পেটত সোমাই গ'ল। পেটত সোমাই ই ৰচন কটাৰীৰে কুৰুঙৰ মাংস কাটি-চিঙি ৰান্ধি-বাঢ়ি নিজে হেঁপাহ পুৱাই খায় আৰু ভাইক-ভনীয়েক হঁতলৈও ন-ভাগ লয়। সিপাৰত ৰ্‌কাপেটাহঁতে বায়েকক অহা পলম হোৱা দেখি কান্দিব ধৰিলে। ছুকণৰ পিচত হেৰ্‌কাপেটাই গছত উঠি চোৱাত দূৰৈত কিবা এটি খিবলৈ পালে। ইপাৰত ঘৰগোসানীয়ে কুৰুঙক পুনৰ জীউ-দান দি ছে; এনেতে কৰবাৰ পৰা এজাক বান্দৰ আহি তাইৰ কাষত উপস্থিত । বান্দৰবোৰেও নদী পাৰ হৈ সিপাৰত যাবৰ বাবে হাবিলাস কৰাত গোসানীয়ে বান্দৰবোৰক নল-খাগৰি যোৰাই নদীত সাঁকো পাতিবলৈ লে আৰু সাতৰাতি সাতদিন কাম কৰি সাঁকো তৈয়াৰ হোৱাত ন্দৰবোৰৰ সৈতে ঘৰগোসানী যমুনা নদী পাৰ হ'ল।

—গীত—

আজিবোলে নল-খাগাৰা যোৰাই
আই তোৰ জহত বান্দৰক
কৰাইলা পাৰ গোসানীৰে।
সাতো ৰাতি সাতো দিন
আই তোৰ জহত বান্দৰে
ধৰে লাজি॥

হেৰ্‌কাপেটাইঁতে বায়েকক পাই আনন্দিত হ'ল আৰু লগতে অহা বান্দৰবোৰৰ নাচ চাবলৈ ইচ্ছা কৰিলে। বান্দৰবোৰেও ঘৰগোসানীৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰি উলাহতে নাচিব ধৰিলে।

—গীত—

বান্দৰ নাচে আৰো হুলু নাচে
যিও বান্দৰ খেদালুং
সিও বান্দৰ ভুবুকাই আছে।
কেওৱে গোসাই আনে খায়
কেওৱে গোসাই মনে খায়
কেওৱে গোসাই অনায়াসে ভাগে।
নল-নীল যোৱাই বান্দৰৰ
ৰাজা নাচা চায়।
আই দেৱী বিদায় মাগে॥

নাবইনি আৰু হেৰ্‌কাপেটাই বান্দৰবোৰক বিদায় দি লাঙাবুঢ়াক স্মৰণ কৰি পূজা খাবৰ উদ্দেশ্যে মানুহৰ ৰাজ্য বিচাৰি ঘূৰি ফুৰিব ধৰিলে।

—গীত—

শঙ্কৰ দেউ জটিয়াৰ ধন
দিও মেলানি মই দেৱী
মনিচক যাং।
মনিচৰ নগৰত যাবি
গৰু-মানুহ জাপে খাবি
টান পালে বুঢ়া-বুঢ়িক লাগে॥

সিহঁত পূবমুৱা হৈ আগুৱাই আহি গুৰীয়া ৰাজ্যত প্ৰৱেশ কৰিলে। কিন্তু দেখিলে যে, গুৰীয়া ৰাজ্যৰ মানুহবোৰে গৰু খায় আৰু সিহঁতক পূজা কৰিবলৈ কোনো উম-ঘাম নকৰে।

—গীত—

নাথাকং এহে হিয়া
নাথাকং গুৰীয়া ৰাজ্যত
মেলেশৰ দেশ
গৰু-মানুহ জাপি খায়
নাথাকং মেলেশৰ দেশ॥

সিহঁতে গুৰীয়া ৰাজ্য ত্যাগ কৰি গুচি আহে শিঙলটেপা ৰাজ্যলৈ। শিঙলটেপা নাৰী ৰাজ্য। তাত ৰজা নথকা বাবে ঘৰগোসানীয়ে ৰজা পাতিবলৈ নিজে এজন পুৰুষ বিচাৰি ফুৰিব ধৰিলে। পুৰুষৰ অনুসন্ধানত বহুতদিন ঘূৰি-পাকি বেজাৰ লগাত পুৰুষ মানুহৰ পৰিবৰ্তে যিকোনো সত্য প্ৰাণী এটা পালেই ৰজা পাতিবলৈ ইচ্ছা কৰিলে। শেষত এডাল আম গছত এটা হুদু দেখা পালে আৰু তাকে শিঙলটেপা ৰাজ্যৰ ৰজা হবলৈ নিবেদন জনালে।

—গীত—

তোকে বোলং বৰলা
তোকে বোলং সৰলা
আম গাছত লবি বাহা।
আম গাছৰ ডালতে
কাল কুলি বাহা লব
তাতে ৰহে আপোনাৰ দেহা॥

এনেতে হুতুয়নীয়ে কৰবাৰ পৰা আহি হুতুক ৰজা পাতিব খোজা বুলি শুনি বৰ সন্তোষ পালে। তাই নিজৰ কল্পনাৰ সাগৰত ডুব গৈ থকা অৱস্থাত সেই পিনেদি এটা হাতী অহা দেখা পালে। হুতুয়নীয়ে হাতীটো দেখি আচৰিত হ'ল যদিও হুতুৰ সৌভাগ্য উদয় হোৱাত নিজকে ধন্য মানিলে।

—গীত—

কুলা হেনা দুখান কাণ
চাৰি ঠেঙে বেঢ়াই বেঢ়াই চায়
আগেও লিঙুৰ পাচেও লিঙুৰ
কোন কালে ঘাঁহ-পানী খায়।
লিঙলটেপা ৰাইজত
মোৰ প্ৰভুক ৰাজা পাতে
কাকোৰ-কুচিয়াকো
খাবা নাপায়।
হৰিনা হৰি পৰে
হায় হুতুৰা পৰাণ হুতুৰা
লাই ল' ৰে
মোৰ প্ৰভু হুতুৰা
লাই ল' ৰে ॥

কিন্তু হুতুৰে ৰজা হ'বলৈ অমান্তি হ'লত ঘৰগোসানীয়ে তাক মাৰি পেলাই ভায়েক-ভনীয়েকহঁতক লৈ ধনমালি ৰজাৰ ৰাজ্যত গৈ উপস্থিত হয়। ধনমালি ৰজাৰ ৰাজ্যত প্ৰৱেশ কৰা মাত্ৰকে প্ৰজাৰ মুখত ৰজাৰ গুণানুকীৰ্ত্তণ শুনি ন-বইনি আৰু হেৰ্‌কাপেটা আনন্দত ৰোমাঞ্চিত হ'ল।

—গীত—

দাতা ধনমালি গামিৰি মুৰা
হায়ৰে গোসাইৰে
এনে হেনা ডাঙাৰ ৰাজা
আৰো ক'তো নাই।
দাতা ধনমালি ৰাজা
কিলত মানুহ মাৰে
ভুকিয়াই মানুহ মাৰে।
শালৰে ঘোঁৰা শালতে চেন্‌চায়
খাইলৈ ৰাজা পাতিতে আছে শুই।
সোণাৰ থালত ভাত
সকিয়া লোটাত পানী ॥

ইতিমধ্যে দূতে গৈ ন-বইনি আৰু হেৰ্‌কাপেটাই আশ্ৰয়প্ৰাৰ্থী হোৱা কথা ৰজাক জনোৱাত ৰজাই ধ্যান কৰি চাই সিহঁত কোন বুজি পালে।

—গীত—

আই অ' শুনিবে লখমনি হিয়া
ধিয়ানৰে ৰাজা ধিয়ান কৰি চায়
কায় ডাঙাৰ কায় সৰু
ধিয়ান কৰি চায়।
প্ৰথমতে ডাঙাৰ আই নাৰায়নী.
তাৰ পাচত ডাঙাৰ ঘৰগোসানী।
তাৰ পাচত ডাঙাৰ লক্ষী-সৰস্বতী ॥

ন-বইনি আৰু হেৰ্‌কাপেটাই ৰজাৰ অনুগ্ৰহ লাভ কৰি ধনমালি ৰজাৰ ৰাজ্যত থাকিবলৈ সিদ্ধান্ত কৰিলে আৰু ৰজাৰ ব্যৱহাৰত সন্তুষ্ট হৈ ঘৰগোসানীয়ে ৰজাক বহুত সৎ-উপদেশ আৰু আশীৰ্বাদ দিলে।

—গীত—

মই জগতৰ নাৰী
মোক নকৰা সৰু
চিখিৰাই মাৰি নিম
আগহালৰ গৰু ।
শনিবাৰে মঙ্গলবাৰে
নাভাজিবি কাৰে
ঘৰদেৱতী পালাই যাব
কাঠিৰ আঁৰে আঁৰে ।
যায় নাজানে লখিমীক
কাটিয়া দিব চৰে
সেই ঘৰৰ লখিমী
চাহুৱাদাহি মৰে ।
যায় নাজানে লখিমীক
কাটিয়া দিব হাঁহ
সেই ঘৰত লখিমী
থাকিব বাৰ মাহ ।
যায় নাজানে লখিমীক
কাটিয়া দিব ছাগল
সেই ঘৰৰ লখিমী
হ'ব আগল-পাগল ।
যায় নাজানে লখিমীক
কাটিয়া দিব বাৰা
সেই ঘৰত লখিমী
সবে থাকে ভৰা ॥

ধনমালি ৰজাৰ ৰাজ্যত এজন বুঢ়া আছিল । সেই বুঢ়াৰ পুতেক সাতজন । ঘৰগোসানীয়ে ভনীয়েকহঁতক উপযুক্ত পাত্ৰৰ হাতত গোটাবৰ মনেৰে এদিন দৰাৰ অনুসন্ধানত সেই বুঢ়াৰ ঘৰত গৈ উপস্থিত হ'ল আৰু সকলোৰে পৰিচয় ললে ।

—গীত—

আতা শুনো পিতা শুনো লাক
কোন কোন ভাই গিলা
কোন বিদ্যা জানা ।
সাতো ভাইয়ে উঠি বোলে
সাতো বিদ্যা জানং ।
এক ভাইয়ে উঠি বোলে
মই মেলৰে অধিকাৰী ।
এক ভাইয়ে উঠি বোলে
মই চহৰে জানং জুতি ।
এক ভাইয়ে উঠি বোলে
মই ত্ৰিশূলৰ বাৰি ।
এক ভাইয়ে উঠি বোলে
মই গৰু চোৰ ॥

ঘৰগোসানীয়ে সিহঁতৰ আত্মপৰিচয় পাই হাঁহি হাঁহি বুঢ়াৰ ঘৰৰ পৰা গুচি আহিল । এদিন জোনাক নিশা গৰুচোৰজনে সচাঁকৈয়ে এক বামুনৰ ঘৰত গৰু চোৰ কৰিবলৈ গ'ল । ৰপুৰাই অৱশ্যে ধৰা পৰি শেষত এসেকা পালে ।

—গীত—

জোন কৰে ফট্ ফট্
নিশা দোভাগ ৰাতি
বামুন ঘৰৰ গৰু চুৰক
যাং ৰাতা-ৰাতি ।
বামুন ঘৰত যাইহে
হান্দালা ফেলাং কাটি

—গীত—

বামুন ঘৰৰ বান্ধা-ভিৰনা
সবে আছিল জাগি।
চোৰ চোৰ বুলি আৰো
সবে ধৰিল যেৰি।
কায়ো মাৰে চৰ-চাপৰ
কায়ো ভুকিয়াই
বুকত বহি চোৰ বাপুৰ
দাড়ি উৰুলায়।
কায়ো মাৰে লাঠি-চাপৰ
কায়ো মাৰে গৰ
মাইৰৰ তাপত বাপুৰ
গাৰাত উঠিল জ্বৰ।
বয়সৰ কালত বাপুৰ
গাৰাত আছিল বল
হাত-মোটকা দি বাপু
উঠিয় মাৰে লৰ।
কায়ো বোলে মাৰ মাৰ
কায়ো বোলে ধৰ
গল্‌তিয়াই গল্‌তিয়াই বাপুক
মাঙালা বাহিৰ কৰ ॥

ধনমালি ৰজাৰ ৰাজ্যত ন-বইনি আৰু হেৰ্‌কাপেটা বহুত দিন সুখ-সন্তোষে বাস কৰি থাকিল। কিন্তু দুৰ্ভাগ্যবশতঃ এদিন ধনাধিপতি কুবেৰে চণ্ডিপূজাত বলি দিবৰ বাবে ধনমালি ৰজাক ধৰি হৈ যয়। অপহৰণকাৰী সকলৰ হাতৰ পৰা উদ্ধাৰৰ উপায় বিচাৰি বাটত ধনমালি ৰজাই ন-বইনি আৰু হেৰ্‌কাপেটাক সুঁৱৰি বিলাপ কৰি কান্দিব ধৰিলে।

—গীত—

ধৰি-বান্ধি লৈ যায় মাওৰে
শুনিবে জানিবে বাপুধন
নোক আজি কায়ো আৰো
বাখংতা নাই।
আই হেৰ আই
মই চাং নাৰায়নীৰ সেৱা।
মই চাং ঘৰদেৱতীৰ সেৱা।
মই চাং ন-বইনিৰ সেৱা।
মই চাং হেৰ্‌কাপেটাৰ সেৱা ॥

ধনমালি ৰজাৰ বিলাপ-ক্ৰন্দন ঘৰগোসানীয়ে বহু দূৰৰ পৰা বিনি বিনি শুনিবলৈ পালে আৰু তৎক্ষণাত এগৰাকী বুঢ়ীৰ ভেশচন ধৰি অপহৰণকাৰী দলৰ পিচত গৈ উপস্থিত হ'ল আৰু ধনমালি ৰজাক বলি দিবৰ বাবে ধৰি নিয়াবাবে কুবেৰক প্ৰশংসা কৰি সিহঁতৰ পিচে পিচে যাব ধৰিলে।

—গীত—

আই হৰ-গৌৰী দুৰ্গা কামেচৰি
বেঢ়াবাকে নৰং বুঢ়ী মানুহ
যা লাহে লাহে কৰি।
শিলৰে জৰঝৰি শিলৰে খৰখৰি
উজাবাকে নৰং বুঢ়ী মানুহ
টোকন ধৰি ধৰি ॥

ছদ্মবেশী ঘৰগোসানীয়ে কুবেৰক কলে যে, ধনমালি ৰজা তাইৰ প্ৰধান শত্ৰু। আজিৰ এই সুযোগতে তাই ধনমালি ৰজাৰ ওপৰত পোতক তুলিবলৈ ইচ্ছা কৰি কুবেৰৰ পৰা অনুমতি বিচাৰিলে যাতে কুবেৰে তাইক নিজহাতে ধনমালি ৰজাক বলি দিবলৈ আজ্ঞা কৰে। যেনে ইচ্ছা তেনে কাম। কুবেৰে বলি কাটিবলৈ বুঢ়ীক হুকুম দিলে। বুঢ়ীৰ ওঠত তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল আৰু একমুহূৰ্ত্ত পলম নকৰি গা-পা ধুই-পখালি আহি সেৱা এটি জনাই হাতত খড়্গ তুলি ধৰি ধনমালি ৰজাৰ ডিঙিত ঘাপ মাৰিলে। কিন্তু ধনমালি ৰজাৰ ডিঙিত ঘাপ নৌপৰতে খড়্গ ভাঙি দুটুকুৰা হ'ল।

—গীত—

হে বাই দাবালি এহে
জাপ ম'ইগো কাটিলুং
জ'প গড়ো কাটিলুং
তথাপি নিচিঙিল খ'ৰা।
একেটা মনিচৰ ছা'ৰা
কাটিবা খুজতে
আল্‌গত চিঙিগেল খ'ৰা।

খড়্গ ভাঙি দুটুকুৰা হোৱা দেখি সকলোৱে বিস্ময়-মানিলে আৰু চকুৰ পচাৰতে ঘৰগোসানীয়ে মায়া কৰি ধনমালি ৰজাক বলি শালৰ পৰা উদ্ধাৰ কৰি নি দুয়ো গৈ নাগ ৰাজ্যত উপস্থিত হ'ল।

নাগ ৰাজ্যত প্ৰৱেশ কৰি সিহঁতে দেখিলে যে এজনী নাগিনীয়ে এহাল অদাঁতা গৰুৰে হাল বাই আছে। তাকে দেখি ঘৰগোসানীয়ে নাগিনীক কিছু সজ উপদেশ দিলে।

—গীত—

নষ্ট হব নাঙল-যুঙাল
নষ্ট হব ফাল
অদাঁতা গৰুকে
গৃহস্থই বায় হাল।
ধিং যাং নাগে যাং
উপায় গুৰু শুনিবে
জানিবে নাগিনী
নাগিনী হাল বায়।
নষ্ট হব নাঙল-যুঙাল
নষ্ট হব ফাল
অদাঁতা গৰুকে
কুবাই বায় হাল॥

তাৰ পিচত সিহঁত গৈ ধনবায় ৰজাৰ ৰাজ্যত সোমাল। সিহঁত গৈয়ে ৰজাৰ ৰাজ উদ্যান পালে আৰু উদ্যানত সোমাবৰ কাৰণে ধনঞ্জয় নামৰ দুৱাৰীজনৰ পৰা অনুমতি বিচাৰিলে।

—গীত—

ধনঞ্জয় অ' বাপু দুৱাৰী অ'
যাং গবিন্দৰক দুৱাৰ চাৰি দি।
দুৱাৰী হে বাপু দুৱাৰ চাৰি দি
তিতা দেওৰে খেদাইছে
আহিছুং ফুলবাৰী।

ধনঞ্জয় দুৱাৰীও এলা-পেচা ভকত নহয়। ৰজাৰ বিনা-হুকুমত এটি পকৰাকো সি উদ্যানত সোমাব নিদিয়ে। সি ধনমালি ৰজাক চিনিব পাৰি অলপ ঠাট্টাও কৰিবলৈ নেৰিলে।

—গীত—

নেদং ৰে দুৱাৰ চাৰি
বান্ধং টানি টানি
পাচা-নিশা দোভাগ-ৰাতি
দুৱাৰ খোজা আহি।
ধনঞ্জয় দুৱাৰী মই
পাতালৰ ৰাজা;
ক'ৰ পেৰে আহি পালি
কুবেৰৰ আধাকাটা।

দুৱাৰীৰ কথাত ঘৰগোসানীৰ খং উঠিল তাক গোৰ মাৰি দুৱাৰ ভাঙি উদ্যানত প্ৰৱেশ কৰিলে।

—গীত—

কাণ কাটা দুৱাৰী নিচিনিলি মোক
মাটিমাল কুমাৰে ভাৰ্য্যাখোজে মোক।
ক্ৰুদ্ধমণি আই দুৱাৰে মাৰে লাথি
দুৱাৰৰে খাটি কামি গেল ভাঙি-চিঙি।
দুৱাৰকে পেলাই থ'ল গৰখাৰৈৰ ওপৰ
আই দেৱী সোমাই গেল চুৰেৰ মন।
ধনঞ্জয় দুৱাৰী অ'
যাং দুৱাৰ চাৰি দি আভ্যন্তৰ॥

এগৰাকী বুঢ়ীৰ ইমান স্পৰ্দ্ধা দেখি দুৱাৰী অবাক হ'ল আৰু বেছি গালা-গালি কৰিলে কথা বিষম হ'ব বুলি ভাবি ৰাতিটো উদ্যানতে ৰাখিবলৈ সিহঁতক অনুমতি দিলে। ৰাতিপুৱা ঘৰগোসানীয়ে অজস্ৰ মায়া ভোমোৰা উদ্যানত মেলি দিয়ে। ভোমোৰাবোৰে আনন্দত গুণ্‌গুণ্‌ ধ্বনি তুলি উদ্যানত ফুলি থকা আটাইবোৰ ফুল সৰাই দিলে। এনেতে মালিনীয়ে ৰজাৰ নিমিত্তে ফুল চিঙিবলৈ আহি দেখে যে গছত এটিও ফুল নাই। ধনঞ্জয় দুৱাৰীয়ে মালিনীক কলে যে, ইমানবোৰ ভোমোৰা সি জীৱনত কেতিয়াও দেখা নাছিল। সিহঁত দুয়ো ভবা-গুণা কৰি থকা দেখি ঘৰগোসানীয়ে সিহঁতৰ কাষলৈ আহি চিন্তা কৰিবলৈ হাক দিলে আৰু ভোমোৰাবোৰক আঁতৰি যাবলৈ দি সৰাফুলবোৰ পুনৰ ডালত লগাই থলে।

—গীত—

কাল ভোমোৰা বাপুগন
বহুবেলি কৰিলি ৰঙ
সৰালি ফুল ভাল
ডালে লাগাই থং।
কাল ভোমোৰা অয়
কুকিল ভোমোৰা অয়
মোকে হাকুৰণ কৰ
সৰালি ফুল ভাল
ডালে লাগাই থং॥

ঘৰগোসানীৰ কাণ্ড দেখি মালিনীয়ে বিচুৰ্ত্তি খালে। শেষত ঘৰগোসানীয়ে সিহঁতৰ আগত আত্মপৰিচয় দি কলে যে, তাইক যিজনে পুজিব তাৰে ধন-সম্পত্তি উভৈনদী হব। মালিনী আৰু দুৱাৰীয়ে ঘৰগোসানীক

সেৱা জনাই পূজা কৰিবৰ বাবে ৰজাক কম বুলি কলে। লগতে আৰু ইয়াকো কলে যে, ধনৰায় ৰজাৰ ৰাজ্যত লাঙাবুঢ়া আছে। ধনৰায় ৰজা লাঙাবুঢ়াৰ পৰম ভক্ত। লাঙাবুঢ়াৰ বাতৰি পাই ঘৰগোসানীয়ে হেৰুৱা ৰতন ঘুৰাই পোৱা দি পালে।

—গীত—

আমাৰে জটিয়া লাঙা
বিনা চিনালে ভাত খায়।

মালিনীয়ে বেগা-বেগিকৈ গৈ ঘৰগোসানীৰ শুভাগমনৰ কথা ৰজাৰ কাণ চুৱালে। ৰজাও হৰিষত দেৱীক আদৰিবৰ অৰ্থে পূজাৰ সম্ভাৰ যোগাৰ কৰিবলৈ বিধে বিধে নিৰ্দ্দেশ দিলে আৰু ৰজাই নিজেও দেৱীৰ নিমিত্তে এখন ফুলাম বিচনি তৈয়াৰ কৰে।

—গীত—

দাতা ধনৰায় হে
আৰো এখান বিচন পাকায়
গোন্ধাই আমোল-মোল
সিখান বিচনে তুলিছে
বিয়ালাচিৰ ফুল।
আৰো এখান বিচন পাকায়
সুতাৰ নাই ওৰা
সিখান বিচনত তুলিছে

ত্ৰিচালি হাতী-ঘোঁৰা।
আৰো এখান বিচন পাকায়
সুতাৰ নাথায় খেও
সিখান বিচনত তুলিছে
তিতাপাতি দেও॥

আ-অলঙ্কাৰদিৰ নিমিত্তে মালিনীয়ে নিজে গ'ল হৰগলি নামৰ বানিয়াৰ ওচৰত।

—গীত—

হৰগলি বানিয়া
আইক লাগে ভেটিবা
মাঠাৰ মুটুক কপালে সেন্দুৰ
লাগে আৰো আইক ভেটিবা।
কাণে কুণ্ডল নাকে মাঠি ফুল
লাগে আৰো আইক ভেটিবা।
সাতেসৰি হাৰ সোণাৰ জাপতাল
লাগে আৰো আইক ভেটিবা।
দুই মুঠি কঙ্কণ ইচিৰি আঙুঠি
লাগে আৰু আইক ভেটিবা।
কমৰে ঘাঙৰ বাজিনি নেম্পুৰ
লাগে আৰো আইক ভেটিবা।

ৰজাৰ আদেশ। গতিকে বানিয়াই [সোণাৰী] প্ৰাণ-পণে লৰা-সৰিকৈ সকলোবোৰ অলঙ্কাৰপাতি বনাই মালিনীৰ হাতত দিলে।

—গীত—

লৈ যা লৈ যা মালি
তোমাৰে হাৰ-মাল লৈ যা ॥

ধনঞ্জয় তুৰৰীয়ে পাৰচৰাই বিচাৰি গ'ল। সি গৈ তাৰে এক মিতায়েকৰ ঘৰত চাৰি যোৰ পাৰ চৰাই পালে।

—গীত—

মিতা মিতা বোলং তোক
মিতা অয় হে
লাগি সমন্ধ ধৰ
পাতাল পুৰীয়া মিতা আৰো
লাগি সমন্ধ ধৰ।
দি পাৰোৱা চাৰি যোৰ
মিতা অয় হে
বাহাত আছে লাইখ লাইখ
মিতা অয় হে ॥

ঘৰাহ-গাহৰি বিচাৰি গাউনা নামৰ চিকাৰি এজন হাৰিলৈ গ'ল।

—গীত—

আজি বোলে বাৰা চান্দিৰা যায় গাউনা
তিতুৰা জাৰত।

—গীত—

বাৰা চান্দি আহিল গাউনা
তিতুৰা জাৰত।
ৰাতানা অয়হে গাউনা অয়হে।
কায়ো ললে জাল-জৰী
কায়ো ললে খাপৰ
বাৰা খেদিবা গেল গাউনা
তিতুৰা জাৰত।
জাল-জৰী দিল গাউনা
বাৰেঙা বাৰীৰ সৰত
বাৰা উজুৰাই দিল গাউনা
পৰিল আহি জালত।
ইও বোলে হান হান
সিও বোলে হান
দুই হাতে ধৰি গাউনা
মাৰিল দুই হান ॥

গাউনা-ৰাতানাই গাহৰি পালে। চান্দ নামৰ দোম এজনে গ'ল মাছৰ কাৰণে জাল বান্ধিবলৈ।

—গীত—

চকৰা শিলতে জাগি আছে
তিতাসৰ মেল
সকল মাছে আহি বহি কৰে মেল;

—গীত—

আই শুনিবে ৰথৰালি হে।
শালমাছে উঠি বোলে মই
খুটা হ'বা পাৰং।
বাৰ্লি মাছে উঠি বোলে মই
বাৰা হ'বা পাৰং।
ৰৌ-ভুকুৰাই উঠি বলে আমি
চাপ্ৰা হ'বা পাৰং।
টুৰি মাছে উঠি বোলে মই
কামি হ'বা পাৰং।
কুকিলা মাছে উঠি বোলে মই
টেঙল হ'বা পাৰং।
ধিহিৰি মাছে উঠি বোলে মই
পদূলি হ'বা পাৰং।
গৰৈ মাছে উঠি বোলে মই
বাৰিকা হ'ব পাৰং।
চান্দা মাছে উঠি বোলে মই
জান ভাঙবা পাৰং।
চান্দ ঘৰৰ ৰামজান বাপুহে
বুহালে শাৰী শাৰী
আজি চান্দ ঘৰৰ ৰাম জানৰ
দেওৰ খুটি
মৰিল কুৰ চাৰি।
যাঁহে যাঁহে দেওৰ খুটা
পাতাল পুৰক লাগি॥

চান্দই অহপুৰুষাৰ্থ কৰি জান বান্ধিলে হয়; কিন্তু দুষ্ট চন্দা মাছে পুনুকাতে জান ভাঙি দিলে।

—গীত—

ভাঙিবে জান শুনিবে দোলা
চান্দা মাছে জান ভাঙি গেল॥

মাছ নেপালেও ধনৰায় ৰাজাই প্ৰথমতে লাঙা বুঢ়াক পূজাদি পূজাৰ আয়োজনকৰি ঘৰগোসানীক আদৰি আনিলে। ঘৰগোসানীয়ে পূজা খাই আনন্দত মতলীয়া হ'ল।

—গীত—

মোৰ আই মনে ৰং হৈলা
আপোনাৰ মাল-মাতা সঙাকৰি লৈলা।
মোৰ আই মনে ৰং হৈলা
আপোনাৰ তেল-সেন্দুৰ সেৱা কৰি লৈলা।
মোৰ আই মনে ৰং হৈলা
আপোনাৰ কাচিনি-কাপোৰ সেৱা কৰি লৈলা
মোৰ আই মনে ৰং হৈলা
আপোনাৰ কোমৰ-বান্ধা সেৱা কৰি লৈলা।
মোৰ আই মনে ৰং হৈলা
আপোনাৰ বেত-বিচনি সেৱা কৰি লৈলা।

এইদৰে ঘৰগোসানীয়ে পূজাৰ সকলো সম্ভাৰ হাতকৰি লৈ সাজি-কাচি তেল-সেন্দুৰ পিন্ধি ছালি ধৰা ময়ূৰীৰ নিচিনাকৈ ঘুৰি ঘূৰি নাচিব ধৰিলে।

—গীত—

নাচেৰে ঘুৰি ঘুৰি আই আই
আই মোৰ মৈৰাৰ পেখম ধৰি
তাৰাপ তাৰাপ হাতে চাপৰি ।
ভৰিত মাৰিলা কালি
নূৰত চালাঙি বাতি ।
যায় মাও লক্ষী বৰিবা
আহিল মাওৰে লক্ষী বৰিয়া ।
আহিল মাওৰে মন্দিৰক লাগি ॥

তাৰ পিচত ঘৰগোসানী আৰু লাঙাবুঢ়াই তাম্বোল-পাণ খায় ।

—গীত—

পাণ খায় পাণ খায়
ঘৰগোসানী পাণ খায় ।
পাণ খায় পাণ খায়
লাঙাবুঢ়া পাণ খায় ।

ধনৰায় ৰজাৰ পূজা খাই ৰজাক ধনে-জনে জয়জয়-ময়ময় হ'বলৈ আশীৰ্বাদ দি ধনমালি ৰজাৰ সৈতে ঘৰগোসানীয়ে ধনমালি ৰজাৰ নিজ ৰাজ্যলৈ যুলি ৰাওনা হ'ল । বাটত ঘাগিৰিজান নামৰ এটি বিলত গাভৰু জায়েকৰ সৈতে সুপনি নামৰ তিৰোতা এজনীক নাও খেলি জল-ক্ৰীড়া কৰি থকা দেখি ঘৰগোসানীৰো জল-ক্ৰীড়া কৰিবলৈ মন গ'ল আৰু ধনমালি ৰজাক পাৰতে কিছুসময় অপেক্ষা কৰিবলৈ কৈ সিহঁতৰ লগতে হাঁহি-মাতি নাও খেলিব ধৰিলে ।

—গীত—

হেৰ অয় সুপনি
আই হেৰ আই হিয়া
মায়কে বুঢ়ী মুৰা
জেকে গাভুৰালি
নাও খেলাবা আহিলুং
তিনি গাভুৰালি ।
বাই যায় লৈ যায়
বই যায় নাও
বাইতে বাইতে লৈ যায়
ঘাগিৰি জানক লাগি ।
কানোৱা উৰা-উৰি
বগুলা উৰা-উৰি
নাও খেলাবা লাগিছে
তিনি গাভুৰালি ॥

নাওখেল শেষ কৰি উঠি সুপনিৰ পৰা বিদায় মাগি ৰজাৰ সৈতে নিজ ৰাজ্যলৈ ঘূৰি আহিল । বহুত দিন শুং-সূত্ৰ নপোৱাকৈ থাকি ৰজাক পুনৰ ঘূৰাই পোৱাত প্ৰজাসকলৰ উলাহ কুলাই-পাচিয়ে নধৰা হ'ল । বায়েকক পাই ভনীয়েকহঁত আৰু হেৰ্‌কাপেটাও আনন্দতে জপিয়াব ধৰিলে । ধনমালি ৰাজাও উপকাৰৰ কৃতজ্ঞতা প্ৰকাশ কৰি ঘৰগোসানীক পূজা দি নিজ ৰাজ্যত নিগাজীকৈ থাপিলে । ন-বইনি আৰু হেৰ্‌কাপেটা মহাসুখে ধনমালি ৰজাৰ ৰাজ্যত বসবাস কৰি কিছুদিনৰ পিচত লাঙাবুঢ়াকো আনি সিহঁতৰ লগতে ৰাখিলে ।

ইমানতে লুহাই-কুহাইৰ পূজা শেষ হ'ল। সকলো দেৱ-দেৱীয়ে আহি পূজা খোৱাত লুহাই-কুহাইৰ আনন্দই হিয়া উপচি পৰিল। সিহঁতৰ আগৰ পূজা আৰু মন্ত্ৰ-গীত যে ভুল হৈছিল বুজিব পাৰিলে। সিহঁতে বুঢ়ীৰ ওচৰত নতজানু হৈ কৃতজ্ঞতা নিবেদন কৰিলে। বুঢ়ীও সিহঁতৰ সাধু ব্যৱহাৰত সন্তুষ্ট হৈ মূৰৰ চুলি চিঙি আশীৰ্ব্বাদ দিলে আৰু পূজাৰ পূৰ্ণাহুতিৰ যাৱতীয় দিহা দেখুৱাই দিব ধৰিলে।

—গীত—

নাচো নাচো নাচো নাহাৰে
শৰ টেকেলি মূৰতলৈ
নাচো নাহাৰে।
ভাঙো ভাঙো ভাঙো নাহাৰে
শৰ টেকেলি মূৰতলৈ
ভাঙো নাহাৰে।
নাচো নাচো নাচো নাহাৰে
কুকুং কাছু মূৰতলৈ
নাচো নাহাৰে।
ভাঙো ভাঙো ভাঙো নাহাৰে
কুকুং কাছু মূৰতলৈ
ভাঙো নাহাৰে ॥

লুহাই-কুহাইয়ে শৰ টেকেলি আৰু পিঠাগুৰিৰে বনোৱা কুকুং কাছুটোক মূৰতলৈ মাটিত আফিলাই ভাঙি পেলায়। তাৰ পিচত পূজাত ছটিয়াই দিয়া ফুলবোৰ তুলিব ধৰে।

—গীত—

তুলৰে তুল
গোসানীৰে মানসাৰ ফুল
ঘূৰি ঘূৰি তুল।

ফুল তোলাৰ শেষত কল-গছৰে তৈয়াৰি ৰথখন ভাঙে আৰু টেকেলিত থকা দহপাত ধনুশৰ দহদিশে মাৰি পঠিয়াই।

—গীত—

ভাঙোৰে ৰথখালি দেওশৰ বান।
পূবৰে শৰবান পূব দিশে যায়
পূবৰে শৰবান ভাঙিয়া ফেলায়।
উত্তৰৰ শৰবান উত্তৰ দিশে যায়
উত্তৰৰ শৰবান ভাঙিয়া ফেলায়।
পশ্চিমৰ শৰবান পশ্চিম দিশে যায়
পশ্চিমৰ শৰবান ভাঙিয়া ফেলায়।
দক্ষিণৰ শৰবান ভাঙিয়া ফেলায়।
আকাশৰ শৰবান ভাঙিয়া ফেলায়।
বিমানৰ শৰবান ভাঙিয়া ফেলায়।
পাতালৰ শৰবান ভাঙিয়া ফেলায়।

এইদৰে আটাইখিনি বস্তুকে সামৰি সুতৰি কলৰ দোনাৰে সজা নাও এখনত ভৰাই নদীত উটাই দিবলৈ লৈ যায়।

—গীত—

আমাৰ গাৰঁতে আছে খুচুতিয়া বুঢ়া
সেই বুঢ়াই কুই গেল বাহৰে মুৰা ।
বাহৰে মুৰাত দিয়া যায় নাটি
সেই বাহৰে হ'ল বহুৰে কাহি-কাঠি ।
আই দেৱী হ'ল বহুৰে সাৰথি ॥

এই বুলি লুহাই-কুহাইয়ে নাও উটালৈ যাবৰ বাবে যো-যা কৰি থাকৰ দেৱতাক থানে থানে যাবলৈ অনুৰোধ জনায় ।

—গীত—

গাই আহিলুং বই আহিলুং
গাই আহিলং গীত
ধৰ্ম্মদেউ যাওহে আপোনাৰ থানে ।
আই নাৰায়নী যাওহে আপোনাৰ থানে ।
মৰদেৱতী যাওহে আপোনাৰ থানে ।
ন-বইনি যাওহে আপোনাৰ থানে ।
কেৰ্কা পেটী যাওহে আপোনাৰ থানে ।
লাঙাবুঢ়া যাওহে আপোনাৰ থানে ।

লুহাই-কুহাইয়ে বুঢ়ীক লগত লৈ নাও উহাই দি গা-পা ধুই শুচি হৈ ঘূৰি আহিল । বুঢ়ীও শিহঁতৰ পৰা বিদায় মাগিলে । যাবৰ সময়ত বুঢ়ীয়ে কিবা ভুল-দোষ হ'লে ক্ষমা কৰিবলৈ লুহাই-কুহাইক অনুৰোধ জনালে আৰু নাচি নাচি তলৰ গীতটি গাই পিতাতে অন্তৰ্দ্ধান হ'ল ।

—গীত—

সকলো দেৱতাক দিলুং ফুল
মোৰ মনত আছে ।
যমৰাজাক দিলুং ফুল
বাগা কটিৰ পাচে ॥

—অন্ত—

এই সংগ্ৰাহকৰ পূৰ্ব্ব প্ৰকাশিত ৰাভাজাতীয় লোকগীত সংগ্ৰহৰ পুথি "বহুৰঙী গীতৰ আঁচলত" [১৯৬৫] সম্পৰ্কে কেইটামান মতামতঃ—

"গীতবিলাক ৰাভা সম্প্ৰদায়ৰ—— ৰাভা সম্প্ৰদায়ৰ কিয়,— গোটেই অসমীয়া জাতিৰেই আপুৰুগীয়া সম্পদ । সম্পদ বুলি, লামলাকটু সম্পদ নহয়— তেনেই নোপোৰা সোণ । অসমীয়া ভাষালৈ যাৰে মৰম আছে, সেয়ে এইবোৰ আতোলতোলকৈ বুটলি লব বুলি মোৰ দৃঢ় বিশ্বাস ।"

শ্ৰীবেণুধৰ শৰ্ম্মা, ২৫-১২-৬৪

"শ্ৰীহৰিমোহন সৰকাৰে পশ্চিম অসমৰ পাতিৰাভা জাতিৰ এই [illegible]খিনি সংগ্ৰহ কৰি উলিয়াই এটা প্ৰশংসনীয় কাম কৰিছে । [illegible]হিত্যৰ চৰ্চ্চা বৃদ্ধি পাই অহাৰ সময়ত লিখিত আকাৰত এই [illegible]কে নিশ্চয় ডাঙৰ সহায় কৰিব ।"

অসম বাণী, ৩০ জুলাই, ১৯৬৫ ইং

"অসমীয়া লিখিত ভাষাৰ লগত নামনি অসমৰ কথিত ভাষাৰ পাৰ্থক্য আছে । গতিকে ভাষাৰ পাৰ্থক্য থকা স্বত্বেও, অসমীয়া লোকগীত সাহিত্য ভঁৰালৈ শ্ৰীসৰকাৰে এই এটি বহুমূলীয়া অৰিহণা যোগাইছে ।.....অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখক সকলে এই গীত সমূহৰ মূল্যায়ন কৰক ।"

অসম বাতৰি, ৪ জুলাই, ১৯৬৫ ইং

"ৰাভা সকল আমাৰ জাতীয় সংস্কৃতিৰ মেৰুদণ্ড । এই সকলৰ মনোৰম গীত সমূহে অন্তৰ মোৰ সুক্ষ্ম ভাৱে স্পৰ্শ কৰিছে । X X X সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত এনেবোৰ কামকেই সৃষ্টিধৰ্মী অৰিহণা বুলিব পাৰি ।"

শ্ৰীহেম বৰুৱা এম, পি, ২৫-২-৬৬ ইং

"সকলো গীতেও এই কিতাপখন আমাৰ ভাষাত এটি মূল্যবান সম্পদ হৈছে । X X X-পিছে যি সকল লোকৰ পৰা এই গীতি সম্পদবোৰ সংগ্ৰহ কৰা হয়, লিখাৰ মাজত তিকমতে তেখেত সকলৰ নাম-কাম উল্লেখ কৰা হোৱা ভালেনো হয় বুলি আগতে তাকেই কব আহিছো ।"

শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস, ২৮-২-৬৬ ইং

"শ্ৰীবেণুধৰ শৰ্ম্মাৰ ভাষাত কবৰ মন গৈছে "নোপোৰা সোণ" সেই সোণ আৰু বুটলিবলৈ ঈশ্বৰে তোমাক শক্তি দিয়ক ।"

শ্ৰীমতী অনুৰূপা, ২৫-২-১৯৬৬

—ঃ সংগ্রাহকের রচনেতর পুস্তি

প্রকাশ হয়ঃ—

১। উদ্ভিদ্

২। [illegible]

৩। [illegible]

৪। [illegible]

৫। [illegible]

৬। [illegible]

৭। [illegible]

—উপকূল—

মুদ্রণ ঃ গোয়ালপাড়া, অসম